491'45
BAR

# চৰ অঞ্চলৰ চৰিয়া ভাষা

(বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদানেৰে প্ৰস্তুত কৰা গৱেষণা-গ্ৰন্থ)

OFFICE OF THE SUREN DAS COLLEGE
HAJO
ESTD. 1979

ড০ জ্যোতিষ চন্দ্ৰ বৰ্মন
জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ
সুৰেন দাস মহাবিদ্যালয়
হাজো, কামৰূপ
অসম

বিশ্ববিদ্যালয় অনুদান আয়োগ
নৰ্থ ইষ্টাৰ্ণ ৰিজনেল অফিছ
দিছপুৰ গুৱাহাটী—৬
২০০২ চন

# চৰ অঞ্চলৰ চৰিয়া ভাষা

(বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদানেৰে প্ৰস্তুত কৰা গৱেষণা-গ্ৰন্থ)

OFFICE OF THE SUREN DAS COLLEGE
HAJO
ESTD - 1979

ড০ জ্যোতিষ চন্দ্ৰ বৰ্মন
জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ
সুৰেন দাস মহাবিদ্যালয়
হাজো, কামৰূপ
অসম

বিশ্ববিদ্যালয় অনুদান আয়োগ
নৰ্থ ইষ্টাৰ্ন ৰিজনেল অফিছ
দিছপুৰ গুৱাহাটী—৬
২০০২ চন

The Book has been prepared with financial assistance from the U.G.C. under the Scheme "Financial Assistance to Teacher working in the Colleges for undertaking Minor Research Project in Humanities, Social Sciences and Sciences in the Project entitled: "A Note for the study of the language of the "Car" areas of lower Assam' Vide letter No.F-5-56/99-2000 ( MRP/NER) dtd.29 March, 2000.

# : বিষয়- সূচী -


| | | |
|---|---|---|
| আগ-কথা | | পৃষ্ঠা- |
| প্ৰথম অধ্যায় | :অৱতৰনিকা : চৰ অঞ্চলৰ সাধাৰণ পৰিচয়, জন-গাঠনি, চৰ অঞ্চলৰ ভাষা, ভাষা-প্ৰৱাহ, ভাষাৰ চমু বিৱৰণ- । | ১- ৩০ |
| দ্বিতীয় অধ্যায় | : চৰ অঞ্চলৰ ভাষাৰ শব্দ মালা | ৩১-৪১ |
| তৃতীয় অধ্যায় | : চৰ অঞ্চলৰ ভাষাৰ বাক্য-গঠনৰ চানেকি | ৪০-৫৩ |
| চতুৰ্থ অধ্যায় | : চৰ অঞ্চলত প্ৰচলিত প্ৰবাদ- বচন আৰু সাঁথৰ | ৫৪-৫৫ |
| পঞ্চম অধ্যায় | : উপসংহাৰ | ৫৬-৫৭ |
| পৰিশিষ্ট : (১)এক | : অসমীয়া ভাষা, কামৰূপী উপভাষা আৰু চৰ অঞ্চলৰ ভাষা, তুলনামূলক অধ্যয়ন । | ৫৮-৬১ |
| পৰিশিষ্ট দুই | : চৰ অঞ্চলৰ ভাষা আৰু পূৰ্ব বঙ্গীয় বঙলা ভাষা । | ৬২-৬৩ |
| গ্ৰন্থ-পঞ্জী: | : | ৬৪-৬৬ |

## সংক্ষিপ্ত-ৰূপ

| | |
|---|---|
| অস, | অসমীয়া |
| কাম, | কামৰূপী উপভাষা |
| গো, | গোৱালপৰীয়া উপভাষা |
| চৰ, | চৰ অঞ্চলৰ ভাষা |
| তু, | তুলনা |
| পৰি, | পৰিশিষ্ট |
| পু,অ, | পুৰণি অসমীয়া |

------

# আগ-কথা

বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ ওচৰত ' মাইনৰ ৰিছাৰ্চ প্ৰজেক্ট' অনুসৰি চৰ অঞ্চলৰ চৰিয়া ভাষা' নামৰ গৱেষণা গ্ৰন্থৰ পৰিকল্পনা কৰি কৰা আবেদন আয়োগে গ্ৰহন কৰি দুবছৰৰ ভিতৰত পুথিখন লেখি দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে । অনুদান আয়োগৰ নিৰ্দেশ অনুসৰি ততালিকে পুথিখনৰ প্ৰণয়নত মনোনিবেশ কৰো । কিয়নো আয়োগে উনত্ৰিশ মাৰ্চ, ২০০ চনত মহাবিদ্যালয়লৈ পঠোৱা অনুদান মহাবিদ্যালয়ৰ ফালৰ পৰা আমাৰ হাতত পৰিছে এঘাৰ আগষ্ট, ২০০০ চনত । অৱশ্যে আমাৰ নিৰ্বাচিত বিষয় সম্পৰ্কে কিছু কথা আগতীয়াকৈ চিন্তা কৰা হৈছিল। সেইবোৰ প্ৰবন্ধ পাতি হিছাপে প্ৰকাশ হৈও ওলাইছিল । সেইবোৰ কথাক এটা শৃংখলাবদ্ধ ৰূপ দিবলৈ পুথিখনত যতন কৰা হৈছে। তাৰ বাবে কিছু নতুন তথ্য-পাতি সংগ্ৰহ কৰা হয় আৰু আগৰ বোৰৰ লগত সংশোধন কৰি সংযোগ কৰা হয়। নিৰ্ধাৰিত স্বল্প সময়ৰ ভিতৰত পুথিখন লেখি উলিয়াব লগীয়া হোৱাত বিষয়বোৰ চমুকৈ লেখিব-লগীয়া হৈছে । চৰ অঞ্চলৰ পৰিচয়, জন গাঠনি, ভাষা সম্পৰ্কে পূৰ্ববৰ্তী বিশিষ্ট লেখক সকলৰ চিন্তা-চৰ্চাক শ্ৰদ্ধা সহকাৰে বিচাৰি চাই সেইবোৰৰ আৱশ্যকীয় অংশক পুথিখনত স্থান দিয়া হৈছে ।

চৰ অঞ্চলৰ ভাষাটোৰ অধ্যায়নৰ সময়ত আটাইবোৰ কথা তথ্য পাতিৰ ওপৰত ভিত্তি কৰিহে গ্ৰহন কৰা হৈছে। তথ্য- পাতিৰ লগত আন আন উপভাষা গোৱাল পৰীয়া 'দেশীভাষা' কামৰূপী উপভাষা আৰু প্ৰাচীন অসমীয়া ভাষাৰে সৈতে সম্পৰ্ক থকা কথাবোৰ পুথিখনত স্থান দিয়া হৈছে । আমাৰ আলোচনাই চৰ অঞ্চলৰ ভাষাৰ অধ্যয়নত নতুন দিশ মুকলি কৰিছে । লগতে অসমীয়া ভাষাৰ উপ ভাষা অধ্যয়নত পুথিখনে যথেষ্ট সহায়ক হ'ব বুলি বিশ্বাস আছে ।

এই গৱেষণা-গ্ৰন্থখনৰ ৰচনাৰ বাবে অনুদান আগবঢ়োৱা বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত মই কৃতজ্ঞ ।তাৰ উপৰি গ্ৰন্থখনৰ ৰচনাৰ ক্ষেত্ৰত আমাৰ পৰম শ্ৰদ্ধাৰ - শিক্ষাগুৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত মুৰব্বী অধ্যাপক প্ৰয়াত ড০ উপেন্দ্ৰ নাথ গোস্বামী দেৱৰ পৰা নানা ধৰণৰ দিহা- পৰামৰ্শ পাইছিলো।

তেখেতৰ দিহা পৰামৰ্শ জীৱনত পাহৰিব নোৱাৰিম। পুথিখনৰ ৰচনাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু বিভাগীয় অধ্যাপক সকলৰ দিহা- পৰামৰ্শ পাই থকা হৈছে। পুথিখনৰ তথ্য-পাতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত চৰ অঞ্চলৰ বিভিন্নজনৰ সহায়-সহযোগিতা পাহৰিব নোৱাৰো। এইক্ষেত্ৰত মহাবিদ্যালয় প্ৰাক্তন ছাত্ৰ-কেইজনমানৰ সহায় সহযোগিতাও সদায় স্মৰণীয় হৈ থাকিব। শেষত গ্ৰন্থখনে অসমীয়া ভাষাৰ চিন্তা-চৰ্চা কৰোঁতা সকলৰ পৰা সহাৰি পালে মোৰ শ্ৰম সাৰ্থক হ'ব।

----

## চৰ- অঞ্চলৰ চৰিয়া-ভাষা

### প্ৰথম অধ্যায়

### অৱতৰণিকা

১. অসমীয়া ভাষাৰ আঁতি-গুৰি আৰু বিকাশৰ বুৰঞ্জী বুজিবলৈ হ'লে অসমৰ সকলো জিলাৰ, সকলো অঞ্চলৰ, স্থায়ী বাসিন্দাসকলৰ কথিত ভাষাৰ অধ্যয়ন অপৰিহাৰ্য । এনে উদ্দেশ্য আগত ৰাখিয়েই আমাৰ আলোচনাত অসমৰ অবিভক্ত কামৰূপ জিলাৰ নলবাৰীৰ দক্ষিণৰ বিশেষকৈ চৰ- অঞ্চলৰ অসমীয়াসকলৰ কথিত ভাষাৰ চানেকি দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে । তাৰ আগতে চৰ- অঞ্চলৰ অসমীয়াসকলৰ চমু পৰিচয় এটি দাঙি ধৰা হৈছে । এই ক্ষেত্ৰত দুই- চাৰিগৰাকী বিশিষ্ট লোকৰ চিন্তা-চৰ্চাক গ্ৰন্থাৰে তথ্য হিচাপে উল্লেখ কৰাও হৈছে ।

২. অসমৰ ব্ৰহ্মপুত্ৰ নদী উপত্যকা অথবা নৈৰ মাজৰ ওখ বালিময় ঠাইক কেন্দ্ৰ কৰি কেইখন জিলাত চৰ-অঞ্চল গঠিত হৈছে । চৰ-অঞ্চল বুলিলে সাধাৰণতে ''নৈৰ মাজৰ আপাতত: ওখ ঠাইৰ উপৰিও বাসোপযোগী নদী-পাৰৰ বালিময় আৰু দ-ঠাইবোৰ ।'' পোনতে এই অঞ্চলবোৰ মানুহৰ বাসভূমিৰ উপযোগী নাছিল । ই দুৰ্গম আৰু হাবি-জংগলেৰে ভৰা ।আনুমানিক ১৭০০ চন মানৰপৰাই এই অঞ্চলবোৰত অসমীয়া লোকে 'কৃষিপাম' পাতি থাকিবলৈ লৈছিল । অৱশ্যে এওঁলোকৰ সংখ্যা খুবেই কম আছিল । চৰ- অঞ্চলৰ বিপদসংকুল স্থান আৰু ইয়াৰ নিৰ্জনতাই এওঁলোকক 'কৃষিপাম' ভাঙিবলৈ বাধ্য কৰোৱাইছিল ।

৩. তাৰ পাছত ১৮০০-১৯০০ চনৰ ভিতৰত''তেতিয়াৰ ইষ্টবেংগলৰ সীমান্তইদি পাৰ হৈ চিলেট বা গোৱালপাৰা জিলাৰ চৰ- অঞ্চলত বা নদী-পৰীয়া ঠাইত খেতি কৰিবলৈ কমসংখ্যক লোক আহিছিল ।" এওঁলোকৰ আদিম বাসভূমিও

আছিল নদীপৰীয়া অঞ্চল । মৈমনসিংহ, পাবনা, বগুৰা আৰু ঢাকাৰ প্ৰধানকৈ নদীপৰীয়া মুছলমান লোকসকল বংগৰপৰা অসমলৈ মূলতঃ ৰেলপথ আৰু ভাপ-নাৱেৰে আহে । ''ভাপ-নাও আৰু ৰেলেৰে অহা পূৰ্ব- বঙ্গীয় কৃষকসকলে পোন প্ৰথমতে অবিভক্ত কামৰূপ, নগাঁও, আৰু গোৱালপাৰা জিলাৰ নৈপৰীয়া দ-অঞ্চল, চৰ- অঞ্চল, আৰু হাবি-খোপোহানিৰে ভৰা অনাবাদী ভূমিত থিতাপি লয় ।'' মূলতঃ প্ৰাকৃতিক দুৰ্যোগ, খাদ্য সমস্যা, সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সমস্যাই এওঁলোকক স্ব-ভূমি পৰিত্যাগ কৰি অসমৰ চৰ- অঞ্চললৈ আহিবলৈ বাধ্য কৰোৱাইছিল ।''' ১৯০৫-১৯১১ চনৰ কালছোৱাত অসম আৰু বঙ্গ একেখন প্ৰদেশ আছিল । ... ঐতিহাসিক আৰু ভৌগোলিক দিশৰ পৰা এই ছটা বছৰত অসম আৰু বঙ্গ একেখন প্ৰদেশ, একেটা প্ৰশাসনৰ অধীনস্থ আছিল । সেয়ে একেটা প্ৰদেশৰ অন্তৰ্গত এঠাইৰপৰা আন ঠাইলৈ যোৱাত বঙ্গীয় কৃষকৰ কোনো ধৰণৰ আইনগত বাধা নাছিল ।" পুৰণি ঐতিহাসিক দিশৰ পৰা চালেও'' তেতিয়া(খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ আৰম্ভণি মানত) গোটেই অসম- উপত্যকা আৰু উত্তৰ- বঙ্গৰ উপৰি বিহাৰৰ পূৰ্ণিয়া জিলাও এই ৰাজ্যৰ (প্ৰাগজ্যোতিষৰ) অন্তৰ্ভুক্ত আছিল ।প্ৰাগজ্যোতিষৰ ৰাজ্যই পশ্চিমৰ বিদেহক (মিথিলাক) চুইছিলগৈ।'' ইয়াৰ উপৰি অসমৰ অৰ্থনীতিৰ শ্ৰীবৃদ্ধিত সহায়ক হ'ব বুলি এওঁলোকক আদৰণি জনাইছিল । ''স্বাধীনতাৰ বহুকাল পূৰ্বৰপৰাই, আনকি এই শতিকাৰ তৃতীয় দশকৰপৰাই এক সংখ্যক আঢ্যৱন্ত অসমীয়া পৰিয়ালে তেতিয়াৰ ভাৰতৰ অঙ্গ শ্ৰীহট্ট জিলাৰপৰা বনুৱা অসমলৈ আনিছিল অতি কম দৰমহাত ঘৰুৱা কাম কৰাৰ বাবে ।''

৪. ১৯১৬ চনতে প্ৰচলন কৰা 'লাইন প্ৰথা' আইনখন ১৯৩১ চনৰ নৱেম্বৰ মাহত ছাৰ চাদুল্লাই উচ্ছেদ ঘটাই 'অধিক খাদ্য উৎপাদন আঁচনি'বা মাটি উন্নয়ন আঁচনি ৰূপায়ণ কৰি অসমত পমুৱা মুছলমানক সংস্থাপিত কৰাৰ বাবে উদ্‌গণি যোগাইছিল। চুবুৰীয়া বাংলাদেশৰ জনবসতিৰ ঘনত্ব পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি। মাটিৰ ওপৰত পৰা হেঁচা, বানপানী, আৰু স্থবিৰ হৈ থকা অৰ্থনীতিয়ে বাংলাদেশীসকলক সীমান্ত সৰকি আহিবলৈ বাধ্য কৰিছে। এই কামত সীমান্তৰ দুয়োফালে থকা দালালসকলেও তেওঁলোকক সহায় কৰিছে। তাৰ উপৰি অসমৰ জিলাবোৰত ইতিমধ্যে বসবাস কৰা প্ৰব্ৰজনকাৰীসকল পূৰ্ব পাকিস্তানৰ সীমান্ত অঞ্চলত থকা কাৰণে নবাগতসকলে সীমা সৰকি অহাত আৰু মাতব্বৰসকলৰ যোগেদি তেওঁলোকৰ আত্মীয় লোকৰ মাজতে বসবাস কৰি থকাত একো অসুবিধা নহ'ল।''বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ বিভীষিকাৰ ফলতো হিন্দু-মুছলমান লোকক স্বভূমি এৰিবলৈ বাধ্য হৈছিল। মূৰৰ ওপৰত জীৱনৰ নিৰাপত্তাৰ খাতিৰত এওঁলোকে অসমৰ চৰ-অঞ্চললৈ আহি নিগাজিকৈ থাকিবলৈ লয়। এওঁলোকৰ প্ৰধান জীৱিকাৰ উপায় হ'ল কৃষি। এওঁলোকে দুৰ্গম বনাঞ্চলসমূহ মুকলি কৰিলে, বিস্তৃত অঞ্চল খেতিৰ উপযোগী কৰি গাওঁ সৃষ্টি কৰিলে।' অসমীয়া ৰাইজে নিজ চকুৰে লক্ষ্য কৰিছে, পমুৱা মুছলমানে অসমত মৰাপাটৰ নিচিনা অৰ্থকৰী খেতিৰ ব্যাপকতা বঢ়াইছে।''

৫. পোণতে চৰ-অঞ্চলৰ লোক সকলে অসমলৈ আহি সংযোগী ভাষা হিচাপে অসমীয়া ভাষাকে গ্ৰহণ কৰে।''ভাৰতবৰ্ষ বিভাজনৰ পাঁচ দশক আগৰেপৰা যি সকল মুছলমান অবিভক্ত অসমৰ কামৰূপ, গোৱালপাৰা, নগাঁও, দৰং আদি জিলাত খিতাপি লৈছিল, তেওঁলোকৰ সৰহ সংখ্যকেই পিছলৈ শিক্ষাৰ মাধ্যম হিছাপে অসমীয়া ভাষা ব্যৱহাৰ কৰে আৰু লোকপিয়লতো নিজকে

'অসমীয়াভাষী অসমীয়া' বুলি পৰিচয় দিয়ে ।অসমৰ হাবি-জংগলেৰে ভৰা দ- ঠাই আৰু চৰ- অঞ্চলৰ বিপদসংকুল স্থানত এওঁলোকে খিতাপি লোৱাৰ পাছৰেপৰা পূৰ্ব- বঙ্গীয় বিশুদ্ধ দোৱান আৰু লিখিত ভাষাবোৰ ক্ৰমান্বয়ে পাহৰি আৰু অসমীয়া, বাংলা আৰু গোৱালপৰীয়া ভাষাৰ মিশ্ৰিত চাঁচত ঘৰুৱাভাৱে কথা পাতিবলৈ ধৰে।'' ড° হেৰম্বকান্ত বৰপূজাৰীৰ মতে : ''গোপতে তেওঁলোক অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি ক্ষতিসাধক নাছিল, ন-অসমীয়া হিচাপে তেওঁলোকৰ ল'ৰা- ছোৱালীক অসমীয়া স্কুলত পঢ়ুৱাইছিল। অসমীয়া ভাষাৰেই এওঁলোকে অসমৰ মানুহৰ লগত মিলামিছা আৰু ভাবৰ আদান-প্ৰদান কৰিবলৈ লয় ।তাৰ লগতে অসমীয়া বৃহৎ জাতি-ভাষা-সংস্কৃতি গঠনত অৰিহণা যোগাই নিজকে অসমীয়া হিচাপে জীণ নিয়াবলৈ চেষ্টা কৰিছে ।

৬. মানুহৰ মিলা- মিছাৰ একমাত্ৰ মাধ্যম হ'ল ভাষা ।''ভাষা আৰু উপ-ভাষাৰ সৃষ্টিত যিবোৰ কথাই সহায় কৰে,উপ-ভাষা আৰু স্থানীয় উপ-ভাষাৰ সৃষ্টিতো সেইবোৰেই কাম কৰে, অৰ্থাৎ মানুহৰ পাৰস্পৰিক মিলা-মিছাৰ সুযোগৰ অভাৱ''। এনেবোৰ কাৰণতে চৰ- অঞ্চলৰ মানুহৰ মাজত মিলা-মিছা কৰাৰ বাবে স্বকীয়া ভাষা-বা স্থানীয় উপ-ভাষাই গঢ় লোৱাটো স্বাভাবিক কথা । যিটো সময়ত এওঁলোকে চৰ- অঞ্চলত খিতাপি লৈছিল, সেই কালছোৱাত এওঁলোকৰ অসমৰ মানুহেৰে সৈতে সম্বন্ধ,অহা-যোৱা বা মিলা-মিছাৰ অভাৱ লক্ষণীয় আছিল ।এনেবোৰ কাৰণতে এওঁলোকৰ মাজত এটা স্থানীয় উপভাষাই গঢ় লৈছিল । আমাৰ আলোচনাত অবিভক্ত কামৰূপ জিলাৰ কেইটামান চৰ- অঞ্চলৰ উমৈহতীয়া স্থানীয় উপভাষাৰ চানেকি দাঙি ধৰিবলৈ যতন কৰা হৈছে। লগতে সেই ভাষাটোৰে সৈতে থকা

গোৱালপৰীয়া আৰু কামৰূপী ভাষাৰ সাদৃশ্যৰ যোগেদি অসমীয়া ভাষাৰ সম্পৰ্কও দেখুৱাবলৈ যত্ন কৰা হৈছে ।

৭. অবিভক্ত কামৰূপ জিলাৰ নলবাৰীৰ দক্ষিণ-অঞ্চলৰ কেইটামান চৰ হ'ল : কালাৰ-চৰ, ভাড়ুনামাৰী-চৰ, শিয়ালমাৰী চৰ, কুৰিহামাৰী-চৰ, নৈদাহাৰা-চৰ, কালাপানী-চৰ, বৰধালা-চৰ, এন-চি-চৰ, (অইলাৰ-চৰ) ভৱানী-চৰ, চৈয়দ আলী-চৰ, বৰচলি-চৰ, বড-চৰ, আৰু চাপ্ৰা-চৰ । এই চৰবোৰত বিশেষকৈ ঢাকা, পাব্‌না, বগুৰা আৰু মৈমনসিংহৰ লোকৰ বসতিপ্ৰধান ।

৮. এইখিনিতে এটা কথা উল্লেখ কৰা প্ৰয়োজনীয় হ'ব ।আমি উল্লিখিত চৰকেইটাৰ ভালেমান ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয়ৰ শ্ৰেণীকক্ষত আন্তৰিকতাৰে লগ পোৱাৰ সুযোগ ঘটিছে ।এওঁলোকৰ যোগেদি চৰকেইটাত নিগাজিকৈ থাকিবলৈ লোৱা মানুহেৰে সৈতে যোগাযোগ স্থাপন, কথা-বতৰা আৰু মিলা-মিছা হোৱাৰ সুযোগকণ পোৱা হৈছে। ইয়াৰ আলোচনাৰ সুবিধাৰ্থে গ্ৰহণ কৰা তথ্যবোৰো এওঁলোকৰ জৰিয়তে সংগ্ৰহ কৰা হৈছে ।

৯. বিভিন্ন তথ্যৰ ওপৰত নিৰ্ভৰ কৰি ক'ব পৰা যায় যে এওঁলোকে ''সম্প্ৰতি যিবোৰ কথা বতৰা কয়, সেইবোৰৰ শব্দ চয়ন আৰু কথন-ভংগীত অসমীয়া ভাষাৰ যথেষ্ট প্ৰভাৱ পৰিছে ।

এওঁলোকৰ কথা-বতৰাত গোৱালপৰীয়া 'দেশীভাষা'ৰ অনেক শব্দৰ মিল থকাৰ উপৰি কামৰূপী ভাষাৰ সৈতেও অনেক ক্ষেত্ৰত সাদৃশ্য পোৱা গৈছে । এওঁলোক চৰ- অঞ্চললৈ পূৰ্ব-বঙ্গৰ বিভিন্ন জিলাৰ পৰা অহা হেতু তেওঁলোকৰ কোনো কোনোৱে স্থানীয় ভাষাটোক ঢাকাইলা, পাব্‌নাইয়া, বগুৰা আৰু মৈমনসিডিয়া আদি বিভিন্ন নামেৰে উল্লেখ কৰিব বিচাৰে ।কিন্তু প্ৰকৃতাৰ্থত

চৰ- অঞ্চলৰ বহুতো স্থানীয় লোকে তেওঁলোকৰ ভাষাটোক উমৈহতীয়া হিচাপে 'চৰিয়া ভাষা'(কৃত্ৰিম ৰূপত তৈৰী ভাষা) বুলি কোৱাহে শুনা যায়।

১০. চৰ- অঞ্চলৰ স্থানীয় ভাষাটোৰ প্ৰবাহ মূলতঃ বঙ্গৰ পশ্চিমৰ ফালৰপৰা পূৱলৈকে গতি কৰা প্ৰবাহ । এই প্ৰবাহেৰে সৈতে গোৱালপৰীয়া 'দেশীভাষা' আৰু কামৰূপী উপভাষাও মিলিত হৈছে। এই ৰূপটোৱে ব্ৰহ্মপুত্ৰ নদী-উপত্যকাৰে পূৱপিনে দৰং, নগাওঁ আদি জিলাৰ বিভিন্ন চৰ-অঞ্চললৈ বিস্তৃতি লাভ কৰিছে । চৰ-অঞ্চলৰ স্থানীয় উপভাষাৰ শব্দ-মালা, প্ৰবাদ-বচন, সাঁথৰ আদি চালি-জাৰি চাই উপযুক্ত স্থানত ব্যৱহাৰ কৰিলে অসমীয়া ভাষাৰ বিকাশ আৰু সমৃদ্ধিত অৰিহণা যোগোৱাৰ উপৰি অসমীয়া ভাষাই অসমৰ চৰ- অঞ্চলৰ ৰাইজক অসমীয়া হিচাপে ধৰি ৰাখিব পাৰিব । সেয়ে হ'লেহে বৃহৎ অসমীয়া জাতিটোৰ শ্ৰীবৃদ্ধি কৰিবপৰা যাব। তলত আমাৰ আলোচ্য চৰকেইটাৰ স্থানীয় উপভাষা 'চৰিয়া ভাষা'টোৰ এটা চমু বিৱৰণ দাঙি ধৰা হ'ল ।বিৱৰণটোত 'চৰিয়া ভাষা'ৰ বিশিষ্ট ধ্বনিৰ প্ৰয়োগহে দেখুওৱা হৈছে ।

১১. ধ্বনিতত্ত্ব : 'চৰিয়া ভাষা'ত আঠোটা বিশিষ্ট স্বৰ-ধ্বনি আৰু আঠাইশটা ব্যঞ্জন-ধ্বনি আছে। সেইবোৰক অসমীয়া আখৰেৰে এনেধৰণে বুজাব পাৰি: অ, আ, ই, উ, এ, এ,' অ', ও, ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ট, ঠ, ড, ঢ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, ৰ, ল, শ, স, হ ।

১১. ১ বিশিষ্ট স্বৰ-ধ্বনিবোৰৰ উদাহৰণ:

| | |
|---|---|
| / ই/ | তিন |
| /এ / | তেল তেলচোৰা'পইতাচোৰা' |
| /এ'/ | তেল |
| /অ'/ | গেল, 'যোৱা অৰ্থত' |

/অ/ গলা 'গল'

/আ/ গাল

/ও/ গোল

/উ/ গুল 'গুলবদন'

১১.২ বিশিষ্ট ব্যঞ্জন-ধ্বনিবোৰৰ উদাহৰণ:

/ক/ 'কলা 'কল'

/খ/ খলা 'ধান মৰা চোতাল অৰ্থত'

/গ/ গলা 'গল'

/ঘ/ ঘলা 'পানী ঘোলা কৰা'

/চ/ চালা, চেৰা 'চালনি, নখ'

/ছ/ ছালা, ছেৰা, খুলশালি, ল'ৰা'

/জ/ জাই' যোৰা অৰ্থত'

/ঝ/ ঝাই 'বনজাতীয় গছ'

/ট/ পাটা 'মহৰা পাট'

/ঠ/ পাঠা, 'পঠা ছাগলী'

/ড/ পাডা 'শিল-পটা'

/ঢ/ ঢাল 'ঢাল'

/ত/ তাল 'তাল'

/থ/ থাল 'ডাওৰ কেৰাহী'

/দ/ দুমা 'গছৰ টুকুৰা'

/ধ/ ধুমা 'ধোৱা'

/ন/ চান 'জোন'

।ঙ। ঙাং,ঙাংলা'লাও আদিত দিয়া চাং'

।ম। মাথা'মূৰ'

।প। পাঠা 'পঠা'

।ফ। ফাতা'ফাট'

।ব। বাদা' কলৰ থোক'

।ভ। ভুৰা'ভুৰ'

।হ। হুৰা'শুকান মাছৰ গুৰি'

।ল। লোলা'মহ্লা পাটৰ ঠাৰি'

।শ। শাত'সাত'

।স। সাতা' ছাটি'

১২ ৰূপ তত্ত্ব : চৰ-অঞ্চলৰ স্থানীয় উপভাষাৰ ৰূপ-তত্ত্বমূলক বৈশিষ্ট্য কেতবোৰ তলত উল্লেখ কৰা হ'ল ।

১২,(১) নির্দিষ্টতাবাচক প্রত্যয়:

-কাদা: চাইল-কাদা 'চাউল কথা'

-খিনি: সৰিচা-খিনি 'সৰিয়হখিনি'

নুন-খিনি 'নোণখিনি'

-অন : মানুশ-অন 'মানুহবোৰ'

-টুকুৰা: কাঠ-টুকুৰা 'কাঠডোখৰ'

- বাশ-টুকুৰা 'বাহচটা'

-থোক : চাবিৰ-থোক 'চাবিথোপা'

-পোট: কুইশাল-পোট 'কুহিয়াৰপাব'

-ফানা: কলা-ফানা 'কল আখি'

-ফোটা: পানী-ফোটা 'পানীটোপা'

১২.(২) বহুবচনৰ প্ৰত্যয়:

-গুলা/গুলান: খাশা-গুলা' খুৰাসকল'

চু, গো, চেঙৰা গুলা

মানুশ-গুলান' মানুহবিলাক'

-গোনা: মানুশ-গোনা' মানুহবেম্বৰ'

গৰু-গোনা' গৰুবোৰ'

-ৰা : খাশা-ৰা' খুৰাহঁত' চু, পু, অ, তো-ৰা

মামা-ৰা' মামাহঁত '

১২.৩ পুৰুষবাচক নিৰ্দিষ্টতাবাচক প্ৰত্যয়:

চৰ- অঞ্চলৰ স্থানীয় উপভাষাত ইয়াৰ ব্যৱহাৰ পোৱা নাযায়, যেনে, আমাৰ মা' মোৰ মা', তোমাৰ মা'তোৰ মা' তাৰ মা' তাৰ মাক' আপনাৰ মা' আপোনাৰ মা', ও আৰ মা 'সিহঁতৰ মা'।

১২.৪ লিঙ্গ পৰিৱৰ্তন :

(ক) চৰ- অঞ্চলৰ স্থানীয় উপভাষাত কোনো শব্দৰ আগত মতা বা মাইকী বুজোৱা শব্দ ব্যৱহাৰ কৰি লিঙ্গৰ ধাৰণা বুজোৱা হয়, যেনে, মৰদা হাস, মতা হাঁহ, মাগি/ মাইগা হাস 'মাইকী হাঁহ', মৰ্দা মানুশ্ 'মতা মানুহ' , মাইগি মানুশ্ 'মাইকী মানুহ' পেৰা মইশ্ মতা ম'হ, পেৰি মইশ্ ' মাইকী ম'হ', ওলা বিলাই/ বিলেই 'মতা মেকুৰী' মিনু বিলাই/বিলেই' মাইকী মেকুৰী'।

(খ) প্ৰত্যয় সংযোগ কৰি: আকাৰান্ত শব্দ আৰ চাইত-ই বহুৱাই, যেনে, ছেৰা 'লৰা,' ছোৰি 'ছোৱালী, নানা 'আতা, নানি 'আবু,' উকাৰান্ত শব্দৰ উৰ চাইত -অ বহুৱাই, যেনে, ফুৰু 'পেহী', ফুইবা 'পেহা' খালু 'মহা, ' ... খালা' মাহী' । কেতিয়াবা ই সংযোগ কৰি, যেনে, পাত্ৰ 'দৰা, পাত্ৰি ' কইনা, শশুৰ 'শহুৰ', শাশুৰি 'শাহু' ।

(গ) ভিন্ন শব্দ প্ৰয়োগ কৰি : বস্তুদ 'বলধ' গাই 'গাই, দামৰা দমৰা', বহন 'ছেউৰী', ভাই 'ভাই', বইন 'ভনী' চু, কাম বৈনি, দাদা 'ককাই' বৌ, ' নবৌ, দুলাভাই' ভিনিহী' বুজি 'বাইদেউ, আমাই, জোঁৱাই, ফুবু 'জী' নোশা 'বিয়াৰ দৰা, নতুন বৌ ' বিয়াৰ কইনা', বাবা/বাজান 'দেউতা, মা' মা', স্বামী 'পৈ,' পৰিবাৰ 'ঘৈণী' ।

১২. ৫ কাৰক আৰু শব্দ-বিভক্তি : চৰিয়া-ভাষাটোত কাৰক বুজাবলৈ শব্দ -বিভক্তি হিচাপে -এ যোগ কৰা হয় । কোনো কোনো ক্ষেত্ৰত -এৰ পাছত কৰ্ম কাৰকত -ক, সম্বন্ধ পদৰ -ৰ লগত পৰ-সৰ্গ ব্যৱহাৰ কৰা হয় । কেতিয়াবা শব্দ -বিভক্তি লগ নালাগে । অকল পৰ-সৰ্গ ব্যৱহাৰৰ দ্বাৰাও কাৰকৰ বোধ জন্মোৱা হয়, কুৰাল দি আ 'কুঠাৰেৰে', মুখ দি আ 'মুখেৰে' । অকল -এ শব্দ -বিভক্তিৰ প্ৰয়োগ এনেধৰণৰ: প্ৰথমা-এ, 'এ', মানুশ এ 'মানুহে,' দ্বিতীয়-এ-ক, মানুশ-এ-ক 'মানুহক, ষষ্ঠী-এ-ৰ, গাস-এ-ৰ 'গাছৰ, সপ্তমী-এ সাপ-এ, চতুৰ্থী তোমাৰ জন্যে, পঞ্চমী গাস ঠিকা অথবা গাস-এ ঠিকা ।

১২,৬ সর্বনামৰ তালিকা: 'চৰিয়া-ভাষা'ত প্ৰয়োগ হোৱা সৰ্বনামবোৰ এনেধৰণৰ: মুই/ আমি 'মই,' আমৰা' আমি' তুই'তই', তুমৰা'তোমালোক', সে/ও 'সি', তাৰা/ওৰা 'সিহঁত,' আপ্নি' আপুনি', আপ্নাৰা 'আপোনালোক, এইটা 'এই', ওইটা'সেই ,জেটা'যি, কে/ কেৰা কোন, নিজ নিজ ।

১২,৭ ক্রিয়া-ৰূপ: 'চৰিয়া- ভাষা'ত পুৰুষ,কাল, আৰু ভাব অনুযায়ী ক্ৰিয়া-ৰূপৰ পৰিবৰ্তন হয়। তলৰ তালিকাত দেখুওৱা হ'ল:

'খা' (ক) বৰ্তমান কাল(নিৰ্দেশক ভাব):

| | একবচন | বহুবচন |
|---|---|---|
| ১ম পু, | মুই/আমি খাই | আমৰা খাই |
| ২য় পু, | তুই খা | তোৰা খা |
| | তুমি খাও | তোম্ৰা খাঁও |
| | আপ্নি খান | আপ্নাৰা খান |
| ৩য় পু, | সে/ও খাই | তাৰা খাই |

(খ) ভূত কাল:

| | | |
|---|---|---|
| ১ম পু, | মুই/ আমি খাইসি | আম্ৰা খাইসি |
| ২য় পু, | তুই খাইসা | তোৰা খাইসা |
| | তুমি খাইসা | তোম্ৰা খাইসা |
| | আপ্নি খাইসেন | আপ্নাৰা খাইসেন |
| ৩য় পু, | সে/ ও খাইসে | তাৰা/ওৰা খাইসে |

(গ) ভবিষ্যত কাল:

| | | |
|---|---|---|
| ১ম পু, | মুই/ আমি খাম | আমুরা খাম |
| ২য় পু, | তুই খাবি | তোরা খাবি |
| | তুমি খাইবা | তোমুরা খাইবা |
| | আপুনি খাইবেন | আপুনারা খাইবেন |
| ৩য় পু, | সে/ ও খাইব' | তারা/ওরা খাইব' |

(ঘ) নিত্য-বর্তমান কাল:

| | | |
|---|---|---|
| ১ম পু, | মুই/আমি খাইতেসি | আমুরা খাইতেসি |
| ২য় পু, | তুই খাইতেসা | তোরা খাইতেসা |
| | তুমি খাইতেস | তোমুরা খাইতেস |
| | আপুনি খাইতেসে | আপুনারা খাইতেসেন |
| ৩য় পু, | সে/ও খাইতেসে | তারা/ওরা খাইতেসে |

(ঙ) পূর্ণ-ভূত কাল:

| | | |
|---|---|---|
| ১ম পু, | মুই/ আমি খাইসিলামু | আমুরা খাইসিলাম |
| ২য় পু, | তুই খাইসিলি | তোরা খাইসিলি |
| | তুমি খাইসিলা | তোমুরা খাইসিলা |
| | আপুনি খাইসিলেন্ | আপুনারা খাইসিলেন্ |
| ৩য় পু, | সে/ও খাইসিল' | তারা/ওরা খাইসিল' |

১২,৮ ক্রিয়ার ন্যাস্তর্থক রূপ:

কও 'ক', কও-না 'নকয়'

কৰুব' 'কৰ', কৰুব'-না 'নকৰ'

ডাক্' 'মাত', ডাকুব'-না' নামাত'

বসু 'বহ', বসুব'-না 'নবহ'

সিৰ, 'ছিঙ', 'সিৰুব'-না' নিছিঙ' ।

১২,৯ তুমুনন্ত ক্ৰিয়া-ৰূপ :

কোইবান্ নিগা' ক'বলৈ', খাইবান্ নিগা 'খাবলৈ,'

খেলান্ নিগা' খেলিবলৈ', দেখবাৰ্নিগা' চাবলৈ,

পঢ়াৰ্নিগা,' পঢ়িবলৈ, মোনান্ নিগা' শুনিবলৈ' ।

১২, ১০ ভবিষ্যবাচক কৃদন্ত :

কইবাৰ্ মতো 'ক'বলগীয়া, কৰাৰ মতো 'কৰিবলগীয়া,

দেখ্বাৰ্ মতো 'চাবলগীয়া' ।

১২, ১১ ভূতকালিক কৃদন্ত:

কইবাৰ্ কথা' কোৱা কথা',যাওআ কথা' যোৱা কথা'।

১২, ১২ অসমাপিকা ক্ৰিয়া-ৰূপ :

আইলি 'আহি', কৰিআ 'কৰি', খাইআ 'খাই',

সুইনা 'শুনি' ।

১৩. শব্দ-মালা: চৰ- অঞ্চলত ব্যৱহাৰ হোৱা শব্দ কিছুমান তলত উল্লেখ কৰা হ'ল । লগতে সেইবোৰ শব্দৰে সৈতে থকা গোৱালপৰীয়া 'দেশী'ভাষা, কামৰূপী উপভাষা আৰু পূৰ্বণি অসমীয়া ভাষাৰ সাদৃশ্যও দেখুওৱা হৈছে ।

(ক) জীৱ-জন্তু :

| | |
|---|---|
| আক্কি | 'ষাড়' |
| কুত্তা | 'কুকুৰ' |
| কুৰ্কা | 'কুকুৰা' |
| গাই | 'গাই' |
| গোন্দা | 'কেচুৱা' |
| গৰু/গোৰু | 'গৰু' |
| জংলি | 'গাহৰি' |
| জোৱান মানুশ | 'ডেকা মানুহ' |
| দামুৰা | 'দমৰা' তু, গো আৰু কাম দামুৰা |
| নাইৰা | শিং নোহোৱা গৰু' তু, গো নাৰিআ |
| বলুদ' | 'বলধ' |
| বৰকি | 'ছাগলী' |
| বহন | 'চেউৰী' |
| বাৰা | 'গাহৰি' তু, গো, বাৰা |
| বাসুৰ | 'গোৱালি তু, বৰগীত:'বাসুৰি ধ্বনি' শুনি গোবৎস গেখি' |
| বিলাই/বিলেই | 'মেকুৰী' তু, গো, বিলাই/বিলেই |
| মৈশ | 'ম'হ' তু, গো, মৈশ/ ভৈশ |
| শিআল | 'শিয়াল তু, গো, শিআল |
| সিআন | 'চতুৰ মানুহ' তু, গো, কথা গুৰুচৰিত: 'সি আন চৰাইৰ ভাওঁ' |

(খ) চৰাই-চিৰিকটি, পোক-পৰুৱা:

| | |
|---|---|
| আঠাইল | 'চিকৰা' তু, গো আঠৈ |
| আকৈল | 'জেঠী' |
| ইন্দৰ | 'এন্দুৰ' |
| উৰুম্ | 'উৰহ, তু গো ,ওৰোশ |
| উহুন | 'ওকণি' |
| কাইআ | 'কাউৰী'তু, গো: কাউআ |
| কাকৃৰা | 'কেকোৰা' তু গো,আৰু কাম কাকৃ ৰা |
| কোবুতৰ | 'পাৰ চৰাই' তু, গো, কোইতৰ |
| গুগু | 'কপৌ, তু গো, ঘুগু |
| চাইপোকা | 'উৰহ' |
| চিকা | 'চিকা' |
| তেঁলচোৰা | 'পইতাচোৰা' |
| ডহুইক | 'ডাউক' |
| পোহি | 'চৰাই' |
| পিপৃৰা | 'পৰুৱা 'তু, গো, আৰু কাম, পিপৃৰা |
| বগ | 'বগলী' |
| বাদুৰ | 'বাদুলী' তু গো, বাদুৰ |
| বিজি/বেজি | 'নেউল'তু গো; বিজি |
| বুতুম | 'হুদু' |
| বেঙ | 'ভেকুলী'তু, গো, বেঙ |

| | |
|---|---|
| মাশি | 'মাখি' |
| মামাহশা/মাহৈৰ | 'মকৰা' |
| শালিক | 'শালিকা' |

(গ) গছ-গছনি, ফল-মূল, শাক-পাচলি:

| | |
|---|---|
| অলৃদি | 'হালধি' |
| অসুন | 'নহৰু' |
| আনিআ কলা | 'কাচকল' |
| আণ্ঠা | 'আঁহত' চু, কাম আণ্ঠা |
| কলা | 'কল' চু, গো, কলা |
| কাঠল/কাণ্ঠল | কঁঠাল ' |
| কাগৃজি | 'নেমু' চু, কাম, কাজি |
| কাবুমাণ্ডগা/কাবমাণ্ডা | 'কন্দৰ্দ' চু, গো, কামৰাঙা |
| কুমৃৰা/কমুৰ | 'কোমোৰা' চু, গো আৰু কাম, কুমৃৰা |
| কুশাইল | 'কুঁহিয়াৰ' চু, গো, কুশেৰ |
| গাস | 'গছ' চু গো, গাস |
| চাইলুতা | 'ঔ-টেঙা' |
| জিংগা | 'জিকা' |
| ঢেৰি | 'ডেম্দ' চু, গো, ঢেৰি |
| তামুখ | 'ধপাত' চু, কামু তাংখু |
| দুমুৰা | 'ডোল' |
| থিচি | 'তিচি' |
| পাটা | 'মৰাপাট' চু, গো, পাটা |

| | |
|---|---|
| ফানা | 'কলৰ আখি' |
| বাগুন | 'বেঙেনা' তু, গো, বাইগন্ |
| বাঙ্গি | 'আতলচ' |
| বিলাতী নাই | 'ৰঙালাউ' |
| শুবাৰি | 'মধুৰী আম' তু, গো, শুপাৰি, কাম, মোইফ্ৰাম |
| শিম্লু | 'শিমলু' তু, গো, শিম্লা |
| হশা | 'ডিয়ঁহ' |

(ঘ) মাছ-কাছঃ

| | |
|---|---|
| আইৰ্ | 'আৰি' তু গো, আইৰ্ |
| ইসা মাস | 'মিছা মাছ' তু, গো, ইস্লা মাস |
| কাইক্লা | 'কোকিলা মাছ' |
| কৈ | 'কাৱৈ মাছ' তু, গো, কৈ |
| খইলসা | 'খলিহা' |
| গৰুকুইআ | 'গেদগেদী' |
| জিবুন /জেবুন | 'শিঙি' |
| তেঙ্ৰা | 'শিংৰা' |
| দাৰ্কিনা | 'দৰিকণা' |
| ফইলা | 'কান্দুলী' তু, গো, ফৈলা |
| বোকা | 'ভকুৱা' তু, কাম, ভোকা |
| মুসুকুৰ | 'মাগুৰ' |
| ৰুই | 'ৰৌ' |

| | |
|---|---|
| শুৎকি মাস | 'শুকান মাছ' |
| ছুৰা | 'শুকান মাছৰ গুৰি' |

(ঙ) অঙ্গ-প্ৰত্যঙ্গ :

| | |
|---|---|
| আঙুল | 'আঙুলি' |
| আঢু | 'আঁঠু' তু, গো, হাটু |
| গলা | 'গল' তু, গো, গলা |
| চাৰা/চেৰি | 'নখ' |
| চোক | 'চকু' তু, গো, চোক |
| তাইলা | 'তলুৱা' |
| থোট | 'ওঠ' |
| থোটা | 'থুতৰি' |
| থোৰা | 'উৰু' |
| নাই | 'নাভি, তু, কাম, নাই |
| পশৃম | 'নোম' |
| পাৱ/ পাও | 'ভৰি' তু, পু, অ, 'পাৱে পৰি হৰি' |
| মাথা | 'মূৰ' তু, গো, মাথা |
| মানুআ | 'কঁকাল' |
| মুইলা | 'দাঁতৰ আলু' |

(চ) সম্বন্ধবাচক শব্দ:

| | |
|---|---|
| খালা | 'মাহী' |
| খালু | 'মহা' |
| জামাই | 'জোঁৱাই' |
| দাদা | 'ককাই' তু গো, দাদা |

| | |
|---|---|
| দুলাভাই | 'ভিনিহী' |
| নানা | 'আতা' |
| নানি | 'আবু' |
| নতুন বৌ | 'বিয়াৰ কইনা' |
| নোশা | 'বিয়াৰ দৰা' |
| পৰিবাৰ | 'ঘৈণী' |
| পাত্ৰ | 'দৰা' |
| পাত্ৰী | 'কইনা' |
| ফুইবা | 'পেহা' |
| ফুবু | 'পেহী' |
| বাবা/বাজান | 'দেউতা' তু, গো, বাবা |
| বুজি | 'বাইদেউ' |
| বৈন | 'ভনী' তু, গো, বৈন, কাম বৈনি |
| বৌ | 'নবৌ ,তু কাম, বৌ |
| মেঞবান | 'ভনী জোঁৱাই' |
| শশুৰ | 'শহুৰ' তু, গো, শশুৰ |
| শাশুৰি | 'শাহু, তু, গো, শাশুৰি |

(ছ) কানি কাপোৰ বাচন-বৰ্তন :

| | |
|---|---|
| আচ্কান | 'দীঘল কোট চোলা' |
| ওৰণ | 'কোৰাচ' |
| কৰাই | 'কেৰাহি' তু, গো, কৰাই |
| কলশ | কলহ' তু, গো, কোলশি |

| | |
|---|---|
| কাফা | 'ফোৰাচ' |
| কাহৈৰ | 'ফণি' |
| খেতা | 'কঠা' |
| গামুসা | 'গামোচা' তু, কাম, গামছা |
| গাবৃলা | 'চৰিয়া' তু, গো, গামলা |
| চাদ্দৃৰ | 'চাদৰ' |
| চুৰি | 'খাৰু' তু গো, কাম, চুৰি |
| টফন্ | 'লুডি' |
| থাল | 'ডাঙৰ কেৰাহী' |
| থালি | 'কাঁহী' |
| নাহৰ | 'হাতা' |
| পাডা | 'শিলপটা' |
| বদ্না/বন্দি | 'নাল থকা ঘটি' |
| বালিস | 'গাৰু' |

(জ) বিবিধবিষয়ক শব্দঃ

| | |
|---|---|
| আগুন | 'জুই' তু, গো, আগুণ |
| আৰ | 'আৰু' তু গো, আৰ |
| ইসৃটি | 'মিতিৰ' |
| উনুনা | 'ওৰণি' |
| উনমা মাশ | 'খৰালি মাহ' |
| কইলা | 'এঙাৰ' |
| কাইলা | 'মেঘ ' |

5850/



| | |
|---|---|
| কসইলা | |
| কাদা | 'নৰ্দমা' |
| কুইআ/কুআ | 'কুৱলী' তু, গো, কুআ, |
| কেদা/কেদো | 'বোকা' তু, গো, কাদো, |
| কোদা/কোশা | 'হাকুটী' তু, গো, কোটা, |
| কোদাল | 'কোৰ' তু, পা ম, কোদাল, |
| খুৰা | 'বাঁহৰ খুটা' |
| খুস্খসানি | 'চৰচৰণি' |
| খেআল | 'লক্ষ্য কৰা' তু, xকাম, খেয়াল |
| খেতেৰ মৌসম্ | 'খেতিৰ বতৰ' |
| গলুগো | 'ফেন' |
| গোআইল | 'গোহালি, তু, গো, গোইল, |
| গোস্টো | 'মাংস' |
| গোদা | 'খং' |
| ঘাইতেল্ | 'নাৱৰীয়া' |
| চান্ | 'জোন' তু, গো, চান, |
| চালা | 'চালনি' |
| চেপু | 'খুই তু, গো, চেপ, |
| ঞগৰ্ | 'দায়' তু কাম, ঞগৰ, |
| ডাঙ্গা | 'চাং' |
| ঢেহি | 'ঢেকী' |
| ঢাবি | 'কঠ' তু, কাম, ঢাবা, |

| | |
|---|---|
| ঢেল | 'ফৰ্মুটি' |
| তাৰা | 'তৰা' |
| তুন্ন | 'বৰশীৰ পুঙা' |
| তুফান | 'ধুমুহা' |
| থোসা | 'পানীৰ জোলা' |
| দৰি | 'ৰছী' |
| দিল | 'অন্তৰ' |
| দোৱাত | 'চাকি' |
| নুন | 'নিমখ' তু, গো, আৰু কায়, নুন, |
| পাগাৰ | 'দখাত' তু, গো, পাগাৰ, |
| পিস্কি | পিক' তু, গো, পিক, |
| পোট | 'বাঁহৰ পাব' |
| ফাইতা | 'ফাট' |
| ফুৰুঙগা / ফুৰঙা | ফিৰিঙতি' তু, গো, ফুৰঙা, |
| ফোঙা | 'ফোঁট' |
| বলুল ' | 'বকুল' |
| বাইসা | 'বাৰিষা' |
| বাতাস | 'বতাহ' |
| বালু | 'বালি' |
| বিঅা | 'পানীত তিতা' |
| বেলি | 'সূৰ্য ' |

| | |
|---|---|
| বেসন/বিসন | 'কঠীয়া' তু, গো, বিসন, |
| মনে নাই | 'পাহৰা' |
| মাস্‌দাও | 'মৈদা' |
| মাহুত | 'মাউত' তু, গো, মাহুত, |
| মুছাফিৰ | 'অতিথি' |
| মেঘ | 'বৰষুণ' |
| মেহমান | 'আলহি' |
| মৈশাল | 'ম'হৰখীয়া' তু, গো, মৈশাল, |
| 'ৰাইত | 'ৰাতি' |
| ৰাখাল/ৰাহাল | 'গৰখীয়া' তু, গো, ৰাখাল , |
| ৰাগ | 'খং' তু, গো, আৰু কাম, ৰাগ, |
| 'শৰীল | 'শৰীৰ' তু, কা, শৰীল, |
| সিত্‌/ সিনাত্‌ | 'সেণ্ডুন' |
| সুই | 'চিলাই কৰা বেজি' তু, কাম, চুইআ, |
| সোনা | 'মৰা পাটৰ চাৰি' |
| হাইসাল | 'ৰান্ধনি ঘৰৰ চোকা' তু, কাম, হাইহাল, |
| হুই | 'মৰা পাটৰ চাৰি' |
| হোৰা/হুৰা | 'শুকান মাছৰ গুৰি' |

(ব।) মাহ, সংখ্যাবাচক শব্দ :

| | |
|---|---|
| এ'ক | 'এক' |
| দুই | 'দুই' |

| | |
|---|---|
| তিন | 'তিনি'দ্ৰ, গো আৰু কায়, তিন, |
| চাইৰ | 'চাৰি'দ্ৰ,গো, চাইৰ, |
| পাস্ | 'পাঁচ'দ্ৰ, গো, পাস , |
| সই | 'ছয়' |
| সাত্ | 'সাত' |
| আট্ | 'আঠ' |
| নই | 'ন' |
| দশ্ | 'দহ' |
| মাশ্ | 'মাহ' |
| বৈশাগ | 'বহাগ' |
| আশাৰ | 'আষাৰ' |
| বাদৰ | 'ভাদ' দ্ৰ, ব্ৰজবুলি: ভৰ বাদৰ' |

(এও) বিশেষণাত্মক শব্দ:

| | |
|---|---|
| অল্পো | 'অলপ' দ্ৰ, গো, অলপো, |
| উচা | 'ওখ' দ্ৰ, গো, উচা, |
| এ'তো | 'ইমান' |
| এমন | 'এনেকুৱা' |
| ও'তো | 'সিমান' |
| ওশাৰ | 'বহল' দ্ৰ, গো, ওশাৰ, |
| কাবু | 'ক্ষীণ, পাতল' |
| কালা | 'ক'লা' |
| কাশা | 'কেঁচা' |

| | |
|---|---|
| খাটা | 'চুটি' চু, গো, খাটো কাম, খাটা, |
| খাৰাপ | 'বেয়া' |
| চিকন্ | 'ক্ষীণ' নাহী' |
| চেপটা | 'চেপেটা' চু, গো, চেপুটা কাম, চেপটা, |
| চোটো | 'সৰু' চু, গো, চোটো, |
| দিঘ্লা | 'দীঘল' চু, কাম, দিঘ্লা, |
| নিচা | 'চাপৰ' |
| পাকা | 'পকা' |
| পালা | 'পোহনীয়া' |
| বৰো | 'ডাঙৰ' |
| ভালো/ বালো | 'ভাল' |
| মোটা | 'শকত' |
| লাল | 'ৰঙা' চু, গো, লাল |
| শুখ্না | 'শুকান' চু, কাম, শুখ্না, |
| সিআন | 'চতুৰ' |

(ট) ক্রিয়া বিশেষণাত্মক শব্দ:

| | |
|---|---|
| আৰ | 'আৰু' চু, গো, কাম, আৰ, ব্ৰজবুলি: কি আৰ বলিব তোৰে' |
| আইজকা/আজ | 'আজি' চু, ব্ৰজবুলি: দিন যাব আজ ভাল' |

এ'ম্নইৰা/ এ'মুনেকইৰা- 'এনেকৈ'

| | |
|---|---|
| এখন | 'এতিয়া' |
| এখানে | 'ইয়াত' |
| কাইল্কা | 'কালি' |

| | |
|---|---|
| কেমন/কেমুনে কৰিয়া/ কইৰা | 'কেনেকৈ' দ্র. বৰগীত: কেমনে পাইবো হৰি' |
| কোন সময় | 'কেতিয়া' |
| কোনে | 'ক'লৈ' |
| জে'মন কৰিআ | 'যেনেকৈ' দ্র, গো, জে'মনকোৰি, |
| তাৰাতাৰি | 'সোনকালে' দ্র. কাম, তাৰাতাৰি, |
| দেৰি কোৰিআ | 'পলমকৈ' |
| বিহানে/বেহানে | 'ৰাতিপুৱা' দ্র, কথা গুৰুচৰিত: 'বিহানে টকা দিলোঁ, নানিলি ছাগল' |
| বৈকালা | 'আবেলি' |

(ঠ) ধাতু:

| | |
|---|---|
| কও/কআ | 'ক' |
| খাআ | 'খা' |
| চিৰা | 'ছিণ্ড' দ্র, কাম চিৰা , |
| জাআ | 'যা' |
| জাই | 'ব'ল' |
| জিগাশ্ | 'সোধ' |
| ডকা | 'মাত' দ্র, গো।ডাক্, বৰগীত 'দাম সুদামে ডাকে' |
| থোআ | 'থ' |
| দেআ | 'দি' |
| ধোকা | 'সোমা' |

| | |
|---|---|
| নেআ | 'ল' |
| পৰা | 'সৰ' |
| পাআ | 'পা' |
| বশা | 'বহ' দ্ৰ, গো, বশ্ |
| বাইৰ' | 'ওলা' দ্ৰ, কাম বাহিৰ হ |
| শুনা | 'শুনা' |
| হআ | 'হ' |
| হাশা | 'হাহ' |
| হাটা | 'খোজ কাঢ়' দ্ৰ, গো, হাট আৰু কাম হাথা, |

১৪ চানেকি হিচাপে তলত 'চৰিয়া-ভাষাৰ বাক্য কেইটামান দাঙি ধৰা হ'ল:

| | |
|---|---|
| তোমুৰা নাম কি | 'তোমাৰ নাম কি'? |
| আমাৰ নাম ৰহিম | 'মোৰ নাম ৰহিম'। |
| তুমি কোনে থাকো | 'তুমি ক'ত থাকা?' |
| তোমুৰা বাইতুতে কেৰা আছে | 'তোমাৰ ঘৰত কোন আছে?' |
| তুমি পঢা-শুনা কৰোনেকি | 'তুমি পঢা-শুনা কৰানে?' |
| নাই আমি পঢা-শুনা কৰিনা | 'নাই মই নপঢো।' |
| তুই আৰ আমি যামু | 'তুমি আৰু মই যাম।' |
| তুমি কাইলকা আইও | 'তুমি কাইলৈ আহিবা।' |
| তুমি আবা কি | 'তুমি আহিবানে?' |
| আইজকা দিন বালোনা | 'আজি বতৰ বেয়া।' |

| | |
|---|---|
| মেঘ দিছে | 'বৰষুণ দিছে' |
| বাইৰে ঞানা | 'বাহিৰলৈ নাযাবা।' |
| বাইৎতে থাকো | 'ঘৰতে থাকা।' |
| ওৰা কোনে থাকে | 'তেওঁলোক ক'ত থাকে?' |

একটা মাইশেৰ দুটা পোলা আছিল-এজন মানুহৰ দুটা ল'ৰা আছিল ।

১৫, চৰ অঞ্চলৰ 'চৰিয়া-ভাষাত প্ৰচলিত ফকৰা-যোজনা (শিমাশা) কেইটামান তলত উল্লেখ কৰা হ'ল :

(ক) ঘাস ছাৰা গৰু চলি ছাৰা চৰু
শিপা ছন্না গাস পানী ছাৰা মাস ।

(খ) খিদায় ভাত পিয়াসে পানী
তা না পাইলে হয় যে হায়ৰানি ।

(গ) কাৰও যায় ধান চল
কেও কাটে বিন্নাৰ নল ।

(ঘ) ছাগলে কি খায়না
পাগলে কি কয়না।

(ঙ) লংকায় যে যায়
হেই ৰাক্ষস হয় ।

(চ) কাৰো আঘোন মাস
কাৰো পুস মাস ।

(ছ) দুৰেৰ পথে বেটী
বাৰীৰ বোগুলে মাটি ।

১৬, 'চৰিয়া ভাষা'ত প্ৰচলিত সাঁথৰ (হাস্তৰ/মান) কেইটামান তলত দিয়া ধৰণৰ:
হুমুবুইৰা উমুবুইৰা আৰা গাৰা মধ্যাহানা নালবেটা ।আনাৰস ।
তোমাৰ নাগে নাই আমাৰনাগেও নাই বস্তুটো কি । নাই (নাভি)

ইল বিল শুকাইআ গেলো গাসের আগে পানী বৈলো। নাৰকল ।
(নাৰিকল)

ইতো দুল্লা গাসে কালা কুত্তা নাচে । বাগুন (বেঙেনা)

খাইলি খাৰাইআ থাকে নাখাইলে সুইআ থাকে। বস্তা ।

আত/ হাত নাই পাও নাই মানুশ খাবাৰ আশা ।জক(জোক) ।

এক গুগুৰ তিনি মাথা গুগু যায় কলিকতা ।উৰাজাহাজ ।

দিতে কসা কসি ভিতৰে গেলে খুসি ।চুৰি(খাৰু)

শালটা আপকা-জুপুৰা গোলাটা সোনাৰ টুকুৰা ।মইশ(জলকীয়া)।

একবাৰী সুবাৰি গুণ্তি লাগে বেপাৰি । তাম্মা (তৰা)

অংগলে থিকা বাইৰুলো পাটা পাটাৰ শৰীল কাটা ।কাতল( কঁঠাল)

এক গেলাচে দুই ৰংগেৰ পানী কওছে কি? আণ্ডা (কণী) ।

১৭, ওপৰত আলোচনা কৰা ভাষাটোৱেই চৰ অঞ্চলৰ স্থানীয় ভাষাটোৰ মূল প্ৰবাহ । এই অঞ্চলৰ ভাষাটো বিশেষ কোনো লোকৰ বা সম্প্ৰদায়ৰ ভাষা নহয় ।ই গোটেই চৰ অঞ্চলৰ সম্প্ৰদায়ৰ উমৈহতীয়া ভাষা ।আমি ইয়াক'চৰিয়া ভাষা' বুলিছোঁ ।এই ভাষাটোৰ গোৱালপৰীয়া' দেশী ভাষা' আৰু কামৰূপী ভাষাৰে সৈতে যথেষ্ট সাদৃশ্য আছে । চৰিয়া ভাষাটোৰে সৈতে গোৱালপৰীয়া' 'দেশী ভাষা'টোৰ ঘনিষ্ঠ সাদৃশ্য পৰিলক্ষিত হৈছে । 'চৰিয়া ভাষা'ত প্ৰচলিত ভালেমান শব্দ গোৱালপৰীয়া'দেশী ভাষা'ত লক্ষ্য কৰা যায় । সেইবোৰ ওপৰৰ আলোচনাত ঠাই বিশেষ উল্লেখ কৰা হৈছে ।প্ৰাচীন কামৰূপী ভাষা আৰু পুৰণি অসমীয়া ভাষাত প্ৰয়োগ হোৱা শব্দেৰে সৈতে মিল থকা শব্দবোৰো উপযুক্ত স্থানত উল্লেখ কৰা হৈছে ।প্ৰাচীন কামৰূপী ভাষা আৰু পুৰণি অসমীয়া ভাষাত -

প্ৰয়োগ হোৱা শব্দেৰে সৈতে মিল থকা শব্দবোৰো উপযুক্ত স্থানত উল্লেখ কৰা হৈছে। 'চৰিয়া ভাষা'টোৰ বিৱৰণে এইটোও স্পষ্টকৈ দেখুৱায় যে ভাষাটো পশ্চিম ফালৰ পৰা পূবৰ পিনে গতি কৰিছে আৰু অৱশেষত কামৰূপী ভাষাৰে সৈতে মিলি অসমৰ পূবৰ পিনে গতি কৰিছে। অসমৰ গোটেই চৰ অঞ্চলৰ ভাষাটোৰ অধ্যয়ন কৰিব পাৰিলে বহুতো নতুন তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে ।

## দ্বিতীয় অধ্যায় :

## চৰ অঞ্চলৰ ভাষাৰ শব্দ মালা

১৮. চৰ অঞ্চলৰ ভাষাত সচৰাচৰ ব্যৱহাৰ হোৱা বিভিন্নবিষয়ক শব্দ কিছুমান তলত চানেকি হিচাপে দাঙি ধৰা হ'ল :

(ক) জীৱ- জন্তু :

| | |
|---|---|
| আক্কিল | 'মাউ' |
| উদ্ | 'উদ' |
| কইচুকা | 'শাহাপহু' |
| কাছিম | 'কাছ' |
| কুত্তা | 'কুকুৰ' |
| কুনি বেং | 'চুক ভেকুলী' |
| গাই | 'গাই' |
| গাধা | 'গাধ' |
| গান্ডাৰ | 'গড়' |
| গোন্দা | 'কেঁচুৱা' |
| গৰু/গোৰু | 'গৰু' |
| চাইটুঠেইঙা | 'চাৰিঠেঙীয়া' |
| চামুৱাদুৰ | 'চুঙাবাদুলি' |
| ছাগল্ | 'ছাগলী' |
| জংগইলা | 'বনৰীয়া' |
| জংলী | 'গাহৰি ' |
| জানোৱাৰ | 'জন্তু' |
| ডায়া বেং | 'ডাওৰ ভেকুলী' |

ইল বিল শুকাইআ গেলো গাসের আগে পানী হৈলো। নারকল।
(নারিকল)

ইতো দুল্লা গাসে কালা কুত্তা নাচে। বাগুন (বেঙেনা)

খাইলি খারাইআ থাকে নাখাইলে সুইআ থাকে। বস্তা।

আত/ হাত নাই পাও নাই মানুশ খাবার আশা।জক(জোক)।

এক গুগুর তিনি মাথা গুগু যায় কলিকতা।উরাজাহাজ।

দিতে কসা কসি ভিত্রে গেলে খুসি।চুরি(খারু)

শাদ্টা আপকা-জুপুরা পোলাটা সোনার টুকরা।মইশ(জলকীয়া)।

একবারী সুবারি গুণতি লাগে বেপারি। তারা (তরা)

অংগলে থিকা বাইরুলো পাটা পাটার শরীল কাটা।কাঠল(কঁঠাল)

এক গেলাচে দুই রংগের পানী কওছে কি? আন্ডা (কণী)।

১৭, ওপরত আলোচনা করা ভাষাটোরেই চর অঞ্চলর স্থানীয় ভাষাটোর মূল প্রবাহ। এই অঞ্চলর ভাষাটো বিশেষ কোনো লোকর বা সম্প্রদায়র ভাষা নহয়।ই গোটেই চর অঞ্চলর সম্প্রদায়র উমৈহতীয়া ভাষা।আমি ইয়াক'চরিয়া ভাষা' বুলিছোঁ।এই ভাষাটোর গোৱালপৰীয়া' দেশী ভাষা' আৰু কামৰূপী ভাষাৰে সৈতে যথেষ্ট সাদৃশ্য আছে। চৰিয়া ভাষাটোৰে সৈতে গোৱালপৰীয়া' 'দেশী ভাষা'টোৰ ঘনিষ্ঠ সাদৃশ্য পৰিলক্ষিত হৈছে। 'চৰিয়া ভাষা'ত প্ৰচলিত ভালেমান শব্দ গোৱালপৰীয়া'দেশী ভাষা'ত লক্ষ্য কৰা যায়। সেইবোৰ ওপৰৰ আলোচনাত ঠাই বিশেষ উল্লেখ কৰা হৈছে।প্ৰাচীন কামৰূপী ভাষা আৰু পুৰণি অসমীয়া ভাষাত প্ৰয়োগ হোৱা শব্দেৰে সৈতে মিল থকা শব্দবোৰো উপযুক্ত স্থানত উল্লেখ কৰা হৈছে।প্ৰাচীন কামৰূপী ভাষা আৰু পুৰণি অসমীয়া ভাষাত -

প্ৰয়োগ হোৱা শব্দৰে সৈতে মিল থকা শব্দবোৰো উপযুক্ত স্থানত উল্লেখ কৰা হৈছে। 'চৰিয়া ভাষা'টোৰ বিৱৰণে এইটোও স্পষ্টকৈ দেখুৱায় যে ভাষাটো পশ্চিম ফালৰ পৰা পূবৰ পিনে গতি কৰিছে আৰু অৱশেষত কামৰূপী ভাষাৰে সৈতে মিলি অসমৰ পূবৰ পিনে গতি কৰিছে। অসমৰ গোটেই চৰ অঞ্চলৰ ভাষাটোৰ অধ্যয়ন কৰিব পাৰিলে হয়তো নতুন তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

## দ্বিতীয় অধ্যায় :

## চৰ অঞ্চলৰ ভাষাৰ শব্দ মালা

১৮৹ চৰ অঞ্চলৰ ভাষাত সচৰাচৰ ব্যৱহাৰ হোৱা বিভিন্ন বিষয়ক শব্দ কিছুমান তলত চানেকি হিচাপে দাঙি ধৰা হ'ল :

(ক) জীৱ- জন্তু :

| | |
|---|---|
| আন্দিল | 'মাছ' |
| উদ্ | 'উদ' |
| কইতুকা | 'শাহাপৰু' |
| কাছিম | 'কাছ' |
| কুত্তা | 'কুকুৰ' |
| কুনি বেং | 'চুক ভেকুলী' |
| গাই | 'গাই' |
| গাধা | 'গাধ' |
| গান্ডাৰ | 'গঁড়' |
| গোন্দা | 'কেঁচুৱা' |
| গৰু/গোৰু | 'গৰু' |
| চাইট্টেইডা | 'চাৰিঠেঙীয়া' |
| চামৰাদুৰ | 'চুডাবাদুলি' |
| ছাগল্ | 'ছাগলী' |
| জংগইলা | 'বনৰীয়া' |
| জংলী | 'গাহৰি ' |
| জানোৱাৰ | 'জন্তু' |
| ডায়া বেং | 'ডাঙৰ ভেকুলী' |

| | |
|---|---|
| দামৰা | 'দমৰা' |
| নলী | 'জন্তুৰ হাতোৰা' |
| নাইৰা | 'শিং নোহোৱা গৰু' |
| নেংগুৰ্ | 'নেজ' |
| পালেইনা | 'ঘৰচীয়া' |
| বলুদ' | 'বলধ' |
| বকৃৰী/বৰ্কী | 'ছাগলী' |
| বহন্ | 'চেউৰী' |
| বাৰা | 'গোহৰি' |
| বাসুৰ | 'দামুৰি/পোৱালি' |
| বিলাই | 'মেকুৰী' |
| বেজি | 'নেউল' |
| বেং | 'ভেকুলী' |
| শলৈ | 'নিগনি,' |
| শিআল্ | 'শিয়াল' |
| শেজা | 'কেটেলা পহু' |

(খ) চৰাই চিৰিকটি, পোক-পৰুৱা :

| | |
|---|---|
| আঠাইল্ | 'চিকৰা' |
| আকৈল্ | 'জেঠী' |
| আলাদ্ শাপ | 'ফেটী সাপ' |
| আন্দা | 'কণী' |
| ইন্দৰ্ | 'এন্দুৰ' |

| | |
|---|---|
| উকুন/উহুন | 'ওকনি' |
| উচুং গা | 'উইচিৰিঙা' |
| উকুসু | 'উৰহ' |
| কাইআ | 'কাউৰী' |
| কাকৃৰা | 'কেকোঁৰা' |
| কিৰ্মি | 'পেলু' |
| কোইতৰ/কোবুতৰ | 'পাৰ চৰাই' |
| কুইকৃৰা | 'কুকুৰা চৰাই' |
| খাশা | 'চৰাইৰ পিঞৰা' |
| গুগু/ঘুগু | 'কপৌ' |
| ঘইৰাল্ | 'ঘঁৰিয়াল' |
| চাও | 'কুকুৰা পোৱালী' |
| চাইপোকা | 'উৰহ' |
| চিকা | 'চিকা' |
| চিল্ | 'চিলা' |
| চেঙা/ ছেং গা | 'বিছা' |
| ছাইল্তা | 'কুমজেলুকা' |
| ছেল্লা | 'কেৰ্কেলুৱা' |
| ছেৰা | 'কেচু' |
| জক্ | 'জোক' |
| জিনাই | 'সাগৰীয় শামুক' |
| জুনি পোক/পোহা | জোনাকী পৰুৱা' |
| টোতা | 'ভাটৌ চৰাই' |
| ডাইক্ | 'ডাউক' |

| | |
|---|---|
| কৰ্কৰাই/ কেৰ্কেৰাই | হাঁহ-কুকুৰাৰ মাত' |
| গুমুৰানি | 'বাঘ-সিংহৰ গোজৰনি ' |
| চিল্লাই | 'ঘোঁৰাৰ চিঞৰ' |
| টাক্/টাহে | 'কপৌ পাৰ চৰাইৰ মাত' |
| ফেচ্ফেচ্ | 'ফেচাৰ মাত' |
| বুন্ বুন্ | 'গুণ গুণ' |
| ডেন্ ডেন্ | 'মৌমাখিৰ ভুন ভুন' |

(ঘ) গছ-গছনি বিষয়ক শব্দ :

| | |
|---|---|
| আড্ঠা | 'আইঠ' |
| আশ্ | 'গছৰ আঁহ' |
| কাঠল | 'কঁঠাল' |
| কাপশ্ | 'কপাহ গছ' |
| কুশাইল/কুইশাল | 'কুঁহিয়াৰ' |
| গাস্ | 'গছ' |
| ঘাশ্ | 'ঘাঁহ' |
| চাৰা | 'গছপুলি' |
| চুপাৰী/গুৱা | 'তামোল গছ' |
| জুপুৰি | 'জোপা গছ' |
| জাই | 'বগাউ গছ' |
| তক্তা/ বাতায় | 'ফলা কাঠ' |
| তেতুল | 'তেঁতেলী গছ' |
| দাইল | 'গছৰ ঠাৰি' |
| দুম্ | 'কাঠৰ টুকুৰা' |
| নাৰ্কল | 'নাৰিকল গছ' |

| | |
|---|---|
| পাটা | 'মৰাপাট' |
| শিমুলু | 'শিমলু' |

(ঙ) ফল-মূল সম্বন্ধীয় :

| | |
|---|---|
| আতাফলু | 'আতলচ' |
| আনাৰস | 'মাটি কঁঠাল' |
| কলা | 'কল' |
| কাঢল/কাঠল্ | 'কঁঠাল' |
| কাগুঞ্জি | 'নেমু' |
| কাৰমাঙ্গা/কাৰমাঙা | 'কৰ্দৈ' |
| চাইলুঠা | 'ঔ' টেঙা' |
| জামুবুইৰা | 'সুমথিৰা' |
| পাইকা | 'অমিতা' |
| ফানা | 'কলৰ আখি' |
| বাদা | 'নাৰিকলৰ ঠোক' |
| মেচুফলু | 'নাচপতি' |
| সোফ্ৰি/সুবাৰি | 'মধুৰী আম' |
| হোশা/হশা | 'তিয়ঁহ' |

(চ) শাক-পাচলি বিষয়ক;

| | |
|---|---|
| অলদি | 'হালধি' |
| অশুনু | 'নহৰু' |
| আনিঅা কলা | 'কাচকল' |
| উইশ্টা | 'কেৰেলা' |
| এলাইচ | 'এলাচি' |
| কপি | 'কবি' |

| | |
|---|---|
| কুই শাক | 'পুৰৈ শাক' |
| কুইমুৰা/কুমুৰ/কমুৰ | 'কোমোৰা' |
| গুলমইশু | 'আলুক' |
| গোটাহগ/গচপাটা , | 'ধনীয়া' |
| চুইকা | 'চুকা শাক : |
| জিংগা | 'জিকা' |
| টেইবাগুণ/দেবুবা | 'বিলাহী বেঙেনা' |
| ঢেৰছ/ঢেৰি | 'ভেণ্ডি' |
| তেজ্পাটা | 'তেজপাত' |
| থিচি | 'চিচি' |
| দাৰ্চেনী | 'দালচেনী' |
| দুমুৰা | 'ভোল ' |
| নংগ | 'লং ' |
| নাই | 'লাউ' |
| নেচুৰা/নবিলুলা | লেচেৰা মাহ' |
| বাগুন | 'বেঙেনা' |
| মবিছু | 'জলকীয়া' |
| শিমু | 'উৰহী' |

(ছ) ঘৰ-বাৰী বিষয়ক :

| | |
|---|---|
| উথানু | 'চোতাল' |
| খুবু | 'কোঠা' |
| খুৰা | 'খুটা' |
| খেৰেৰ পালা | 'খেৰৰ পুঁজি ' |
| গইলু | 'গোহালি' |

| | |
|---|---|
| চুং গ' | 'ওখলা' |
| চুন্ | 'খেৰ' |
| জুম্বা | 'মছজিদ' |
| পাইলদাৰ | 'খিৰিকি' |
| পুশ্কুৰি/পুকুৰ | 'পুখুৰী' |
| বাগান | 'বাগিছা' |
| বিঠা | 'ঘৰৰ ভেঁটি' |
| বেঁৰ | 'উঁৰাল ঘৰ' |
| মাইজাল/খাটাল | 'মজিয়া' |
| শেমা | 'পদূলি' |

(জ) ঘৰৰ সা-সঁজুলি বিষয়ক:

| | |
|---|---|
| আগৰ | ধূপ বাটি |
| আৰি | 'হাড়ী' |
| ওৰন্ | 'কোৰাচ' |
| কৰাই | 'কেৰাহী' |
| কলশ্ | 'কলহ' |
| কাফা | 'কোৰাচ' |
| কাহৈৰ/কাহৈ | 'ফনি' |
| খেতা | 'কঠা' |
| খোলা | 'চৰু' |
| গাবুলা | 'চৰিয়া' |
| চকী | 'খাট, চালপিৰা' |
| চকুৰী | 'যঁতৰ' |
| চাকুৰু | 'কটাৰী' |

| | |
|---|---|
| চুলা/ আইচান . | 'আখা' |
| চুৰি | 'খাৰু' |
| চেন্দুক | পেৰা; চন্দুক' |
| ঠিলা | 'কলহ' |
| ঢেক্ | 'চৰিয়া' |
| তালা | 'তলা' |
| থাল/থালি | 'কাঁহী, টাওৰ কেৰাহী, |
| দৰি | 'ৰছী' |
| দাঁহা | 'পাচি' |
| দোৱাত | 'চাকি' |
| নাহৰ | 'হাতা' |
| নেপু | 'লেপ' |
| পাটেৰ বিচি | 'পটা-খুটি ' |
| পাদা | 'শিলপটা' |
| পান্টি/নৰি | 'লৰু', এচাৰি' |
| বদনা | 'নাল থকা ঘটি' |
| বালিস্ | 'গাৰু' |
| বোঠি দাও | 'মৈদা' |
| বোৰ্খা | 'পৰ্দা' |
| মুগুৰি | আঁঠুৱা' |
| ৰিতা | 'হাইঠাগুটি ' |
| সলাদি | 'বাটনী' |
| সুই | 'বেজী' |
| হাৰিকন্ | 'লেম' |

| | |
|---|---|
| ঢাৱ্কাহঁআ | 'ঢোৰা কাউৰী' |
| ঢাশ | 'ঢাহ' |
| পাখি/পোহি | 'চৰাই' |
| পিপ্ৰা | 'পৰুৱা' |
| পোকা | 'কীট, পোক' |
| ফুলুং | 'কাকতি ফৰিং' |
| বগ/বগা | 'বগলী' |
| বল্লা | 'বৰল' |
| বাউৰা শাপ | 'অজগৰ সাপ' |
| বাশা | 'চৰাইৰ বাঁহ' |
| বাদুৰ্ | 'বাদুলী' |
| বুতুয়্ | 'হুদু' |
| ভম্ৰা | 'ভোমোৰা' |
| ভুতুয়্ | 'ফেচা' |
| মশা | 'মহ' |
| মাছটেংগা | 'মাছৰোকা চৰাই' |
| মাশি | 'মাখি' |
| মামাহশা/মাহৈৰ / | 'মকৰা' |
| মাহুৰ<br>ৰক্ত চোচা | 'তেজপিয়া' |
| শাপ | 'সাপ' |
| শালিক্ | 'শালিকা' |

(গ) পশু- পক্ষীৰ মাত :

| | |
|---|---|
| আম্লাই | 'গৰুৰ হেম্বেলনি' |

(ঝ) পোছাক-প্ৰসাধন সম্বন্ধীয়:

আচকন 'দীঘল কোট চোলা'

আঙুঠি 'আঙঠি'

কাঠা বাজু 'বাজু'

কান মাবুকি কাণৰ ওলোমা গহনা'

কাপড় 'কাপোৰ'

গামছা 'গামোছা'

ঘুমটা 'ওৰণি'

চাদৰ(উৰা) 'চাদৰ'

চায়া 'পেটিকোট'

চুৰি 'চুৰি'

টফন্ 'নুডি'

তাৰা 'নাকফুল'

পাওতাৰা/পাতাফল 'ভৰিৰ খাৰু'

পানুহাৰ/শিকল 'কঁকালত পিন্ধা গহনা'

পালিছ্পাট 'নাকৰ ওলোমা গহনা'

বইলা 'বালা'

বালি 'কানফুল'

বুইতাম 'বুটাম'

মালা 'হাৰ'

শাখা 'হাতৰ খাৰু'

(ঞ) খাদ্য সম্বন্ধীয় :

অন্দা/আন্দা 'কণী'

| | |
|---|---|
| উটি | 'ৰুটী' |
| উৰুম/খৈ | 'মুৰি' |
| গি/গিউ | 'ঘিউ' |
| গোস্ত | 'গৰুৰ মাংস' |
| চাইলু | 'চাউল' |
| চিনুনি | 'ক্ষীৰ' |
| তৰকাৰী | 'আঞ্জা' |
| দুধ | 'গাখীৰ' |
| নাস্তা | 'জলপান' |
| নুন | 'লোণ' |
| মধু | 'মৌ' |
| মিঠাই | 'গুৰ' |

(ট) মানুহৰ শৰীৰ সম্বন্ধীয় :

| | |
|---|---|
| আঙুল/নক | 'আঙুলি' |
| আদু | 'আঁঠু' |
| আ́ত্ | 'হাত' |
| আতেৰ তাইলা | 'হাতৰ তলুৱা' |
| আদুদি | 'হাড়' |
| উহাই | 'মূৰৰ উখি' |
| কইলুজা | 'কলিজা' |
| কানেৰ নতি | 'কাণৰলতি' |
| খাপৰা | 'মূৰৰ খোলা' |
| গলা | 'গল' |

| | |
|---|---|
| গিৰা | 'আঁঠু' |
| গায়্ | 'ঘাম' |
| চাৰা/চেৰি | 'নখ' |
| চোক/চোখ | 'চকু' |
| চোখেৰ পৰ্দা | 'চকুৰ পাতা' |
| চুল | চুলি |
| চেপ্ | 'থুই' |
| জিব্লা | 'জিভা' |
| তাইলা | 'তলুৱা' |
| তাইপুলা | 'তপিনা' |
| ঠোত | 'ওঁঠ' |
| খোতা | 'থুতৰি' |
| খোৰা | উৰু |
| ধোৰ | 'টেটু' |
| নক/চেৰি | 'নখ' |
| নাই | 'নাভি' |
| নেৰৰা | লেলাৱতি |
| পশ্ম | 'নোম' |
| পাৱ/পাও | 'ভৰি' |
| বুক্ | 'বুকু' |
| ভোমা | 'চকুৰ নোম' |
| মস্তক | 'মগজু' |
| মাথা | 'মূৰ' |

| | |
|---|---|
| মানজা | 'ককাল' |
| মুইলা/মুছুলুলা | 'দাঁতৰ আলু' |
| মোচ | 'গোফ' |
| শইল/গটৰ | 'শৰীৰ' |
| হলকম | 'কন্ঠ' |

(ঠ) উশাহ-নিশাহ সম্বন্ধীয় :

| | |
|---|---|
| আগা | 'শোঁচ' |
| কাশ | 'কফ' |
| মুত্ | 'পেছাব' |

(ড) বেমাৰ, আৰু ওষধ সম্বন্ধীয় :

| | |
|---|---|
| আমাছা | 'হাইজা' গ্ৰহনী' |
| ওশুধ | 'ওষধ' |
| কাশু | 'কাহ' |
| খাউজ/খাইজেনি | 'খজুৱতি' |
| গুজু | 'টেঙুনা' |
| গুটি বেৰাম | 'বসন্ত আই' |
| চৰ্দি | 'পানীলগা' |
| চোকুউঠা | 'চকুনমা' |
| চেক্ | 'সেক' |
| জুইলাপ | 'জুলাপ' |
| দহলা | 'মালিচ' |
| দাইদ্ | -খহু, খৰ |

| | |
|---|---|
| বিশ্ | 'বিহ' 'বিষ' |
| বশ্ছাল/বক্লুন | শালমন |
| ফুটু | 'খোঁহোৰা ' |
| মছুৰি/ফেচুৰা | মাজু আই |
| মাথা ঘুৰাই | মূৰ ঘূৰণি |

(ঢ) প্ৰাকৃতিক বিষয় সম্বন্ধীয় :

| | |
|---|---|
| আকাশ্ | 'আকাশ' |
| আগুন্ | 'জুই' |
| কেদা | 'বোকা' |
| চান | 'চন্দ্ৰ' |
| জোৎস্না | 'জোনাক' |
| জংগল্ | 'হাবি' |
| জৰ্না | 'নিজৰা', |
| তাৰা | 'তৰা' |
| তুফান | 'ধুমুহা' |
| ধইমা | 'ধোঁৱা' |
| ধুইলা | 'ধূলি' |
| ধাৰ | 'সোঁত' |
| পাগাৰ | 'পুখুৰী' |
| পাথাৰ | 'পথাৰ' |
| বাও কুৰানি | 'বা মাৰলী' |
| বাতাশ্ | 'বতাহ' |
| বালু | 'বালি' |

| | |
|---|---|
| বেলা | 'সূৰ্য' |
| মেঘ্ | 'বৰষুণ' |

(ন) সময়, মাহ ঋতু সম্পৰ্কীয় :

| | |
|---|---|
| আগুন্ | 'আঘোন মাহ' |
| আশাৰ্ | 'আহাৰ মাহ' |
| আশ্বিন | 'আহিন মাহ' |
| চইত্ | 'চ'ত মাহ' |
| জৈশ্টি | 'জেঠ মাহ' |
| দুপুৰ্ | 'দুপৰীয়া' |
| পুশ্ | 'পুহ মাহ' |
| বৈকাল/বিকাল্ | 'আবেলি' |
| বিহান/ বেহান | 'পুৱা' |
| বৈশাগ্ | 'বহাগ' |
| বছ্চৰ | 'বছৰ' |
| ভাদ্ৰ/ভাদ্দুৰ | 'ভাদ মাহ' |
| মাশ্ | 'মাহ' |
| মাইশা | 'মাহেকীয়া' |
| সৈন্ধা | 'গধূলি' |
| ৰাইত্ | 'ৰাতি' |

(ত) ধাতু, খনিজ দ্ৰব্য বিষয়ক:

| | |
|---|---|
| কাশা | 'কাঁহ' |
| তামা | 'তাম' |
| মাদ্ৰল | 'মাৰ্বল' |

ৰুইথা 'ৰূপা'
সোনা 'সোন'
সুঙাগা 'সুবগা'
শিশা 'সীহ'

(খ) অস্ত্র শস্ত্র, আহিলা পাতি :

কৰাত্ 'কৰত'
কেচ্কি 'কেচি'
কুৰাল্ 'কুঠাৰ'
কোদাইল্ 'কোৰ'
খাপাৰ 'খাঠী'
খাৰ্বি 'জবকা'
গিৰ্মিচু 'ডোঁহৰ'
গ্লাইল্ 'কাঁচ'
জাম্বুইৰা 'চেপেনা'
জোৰাল্ 'যুঁৱলি'
ঠীৰ 'ধেনু'
নোহা 'গজাল'
ফাগুন 'খন্তি'
সংগ 'হৈঁম'

(গ) টকা পইছা জোখ মাফ বিষয়ক:

কাথা 'দোন'
চের্ 'সেৰ'
জুলি 'বেগেত'
টেহা 'টকা'
পাথৰ 'দগা'
পাথাইলা 'পুতল'
মাফ 'জোখ'

(ধ) বৃত্তি বা পেচা সম্বন্ধীয় :

| | |
|---|---|
| অকামিলা | 'নিবনুৱা' |
| কছাই | 'কচাই' |
| কামাৰ | 'কমাৰ' |
| কামলা | 'বনুৱা' |
| কুইমাৰ | 'কমাৰ' |
| গাইৱাল | 'গাড়োৱান' |
| জাইলা | 'মাছমৰীয়া' |
| দোহানদাৰ | 'দোকানী' |
| ৰাহাল | 'গৰখীয়া' |
| শাশা | 'খতিয়ক' |
| সূইতাৰ | 'বাঢৈ, মিস্ত্ৰী' |

(ন) খেল-ধেমালি বিষয়ক :

| | |
|---|---|
| গুদুখেলা | 'হাওখেলা' |
| গুলুলা খেলা | 'পথাৰখেলা' |
| ঢুইত্কা খেলা | 'পানী খেলা' |
| পালানুপলানু | 'লুকাভাকু খেলা' |
| বাইশখেলা | 'নাওখেল' |
| লাইঠাবাৰী | 'লাঠি খেল' |
| সাইত্ৰা | 'সাঁতোৰ খেল' |

(প) দেশ-শাসন বিষয়ক :

| | |
|---|---|
| আপোচ | 'মীমাংসা' |
| কিৰা | 'শপত' |
| গ্ৰাম/ গিৰাম | 'গাঁও' |
| গামবুঢা | 'গাঁও-বুঢা' |
| চুগা | 'চুবুৰি' |
| মামলা | 'মোকৰ্দমা' |
| মেল | 'বিচাৰ' |

(ক) বিশেষণাত্মক শব্দ :

| | |
|---|---|
| অকৰা | 'আঁকোৰগোঁজ' |
| উচা | 'ওখ' |
| ওইলৃডা | 'হালধীয়া' |
| কপালী | 'ভাগ্যবান' |
| কম্লা | 'কোমল' |
| কাচা | 'কেঁচা' |
| কোচা/কিৰাপিন | 'কৃপণ' |
| কাবু/মেৰা | 'ক্ষীণ' |
| কালা | 'কলা কাণেৰে নুশুনা' |
| কালা | 'কলা' |
| খাতা | 'চাপৰ' |
| খাৰাপ | 'বেয়া' |
| খোৰা | 'লেঙেৰা' |
| গৰম | 'তপত' |
| গৰীব | 'দুখীয়া' |
| গোল | 'ঘুৰণীয়া' |
| গৌৰব | 'অহংকাৰী' |
| ঘন | 'ডাঠ, ঘন' |
| চয়তান | 'দুষ্ট' |
| চালাক/কেচ্ৰা | 'চঞ্চল' |
| চিদা | 'গোণ' |
| চেপ্তা | 'চেপেটা' |
| চোটো | 'সৰু' |
| ঠগ্ | 'প্ৰতাৰক' |
| ঠান্দা | 'চেঁচা' |
| তিত্তা | 'তিতা' |
| দাইন | 'সোঁ' |
| দিঘলা/লাম্বা | 'দীঘল' |

| | |
|---|---|
| নষ্ট | 'পচা' |
| নেঙ্‌ঠা | 'নাঙ্গ, উলঙ্গ' |
| পাইনা | 'তৰল পনীয়া' |
| পাকা | 'পকা' |
| পাগ্‌লা | 'পগলা' |
| পাত্‌লা | 'পাতল' |
| পেচালি | 'কথকি' |
| পুৰানি | 'পুৰণি' |
| ফচ্ছৰইচা | 'কথকি' |
| ফুৰ্তি | 'আনন্দ' |
| ফেৰি | 'বহল' |
| বৰ' | 'ডাঙৰ' |
| বাগুনীয়া | 'বেঙুনীয়া' |
| বাৰ/ভাৰ | 'গধুৰ' |
| বাশি | 'বাহি' |
| বিজা | 'তিতা, সেমেকা' |
| বুদাই | 'মুৰ্খ' |
| বেহা | 'বেঁকা' |
| ভাংগা | 'ভঙা' |
| ৰাগ্‌লা | 'খঙাল' |
| লাল | 'ৰঙা' |
| লুনা | 'লুনীয়া' |
| সাবধান | 'সতৰ্ক' |
| সাহসী | 'বীৰ' |

## তৃতীয় অধ্যায়

### চৰ অঞ্চলৰ ভাষাৰ বাক্যৰ চানেকি :

১৮, চৰ অঞ্চলৰ ভাষাৰ বাক্যৰ চানেকি কেইটামান তলত দাঙি ধৰা হ'ল :

| | |
|---|---|
| এইখন কিতাপ : | অহংতা(পুস্তক) কিতাপ' |
| এইটো মছজিদ : | 'অইতা জুমবা ঘৰ' |
| আমি অসমীয়া: | 'আমৰা আসাইমা' |
| এইখন তেওঁৰ কিতাপ: | 'এইটা অৰ কিতাপ' |
| এইটো আমাৰ মছজিদ : | 'অইতা আমুগোৰ জুম্মাঘৰ' |
| এইখন আমাৰ দেশ : | এইটা আমুগোৰ দেশ ।' |
| তেওলোক আমাৰ শত্রু : | 'অৰাআমাগোৰ শত্রু /শত্রুৰ'। |
| এইটো ভাল : | 'এইটা ভালা/ ভাল'। |
| এইটো বেয়া : | 'এইটা খাৰাপ'। |
| সি দুষ্ট : | 'ও দুষ্ট '। |
| সিহঁত ভাল : | 'ওৰা ভালা'। |
| আমি দুখীয়া : | 'আমৰা গৰীব'। |
| সিহঁত ধনী : | 'ওৰা ধনী '। |
| তেওঁলোক মাতব্বৰ: | 'ওৰা মাতব্বৰ'। |
| এইখন ভাল কিতাপ: | ' এইটা ভালা কিতাপ'। |
| এইটো ডাঙৰ মসজিদ: | ' এইটা বৰ' জুমবাঘৰ'। |
| এওঁলোক ডাঙৰ মানুহ : | ' অৰা বৰ' মানুশ'। |
| এইখন বৰ ভাল কিতাপ: | ' এইটা খুইব (বিৰাট) ভাল' /ভালা কিতাপ'। |
| এইটো বৰ ডাঙৰ মছজিদ : | ' এইটা বিৰাট বৰ' জুমুবাঘৰ' । |
| এওঁলোক বৰ ডাঙৰ মানুহ : | ' ওৰা বিৰাট বৰ' মানুশ '। |
| এওলোক আমাৰআত্মীয় মানুহ: | 'এৰা আমাগোৰ আপন মানুশ' । |
| তোমাৰ নাম কি: | ' তোমাৰ নামকি', নাম কিবে' । |
| তোমাৰ ব্যৱসায় কি: | ' তোমাৰ বেবুশা কি ? (কাজ)'। |
| মোৰ নাম ৰহিম : | ' আমাৰ নাম ৰহিম' । |
| মোৰ ঘৰ বুল্লুটত: | 'আমাৰ ঘৰ বল্লুতে '। |

মোৰ দেউতা খেতিয়ক : আমাৰ বাবা আইলা শাশা' ।

তাৰ ল'ৰাটো ভাল : 'অৰ ছেড়ৰাটা /পোলাটা ভালা ।

এই ল'ৰাটো ভাল : 'এই ছেং ৰাটা /ছেৰাটা ভালা'।

এই চিনেমাখন ভাল : ' এই ছিনেমাটা ভালা/ভাল '।

সি দেউতাকৰ নিচিনা : ' ও বাপেৰ মতন '।

তাই মাকৰ নিচিনা : 'অই ছেৰীটা মায়েৰ মতন'।

মানুহ আল্লাৰ সন্তান : 'মানুশ আল্লাৰ সন্তান '।

অসম আমাৰ জন্মভূমি : ' অসম আমাগোৰ জন্মস্থান '।

মৃত্যুলৈ মানুহৰ বৰ ভয় : ' মৰাৰ জন্যে মানুশেৰ বিৰাট ডৰ'।

জীৱনৰ প্ৰতি মানুহৰ বৰ মৰম: 'জীৱনেৰ উপৰে মানুশেৰ বিৰাট দয়া'।

মই খাওঁ : 'আমি খাই' ।

আমি খাওঁ : ' আমৰা খাই' ।

সিহঁতে খায় : 'অৰা খাই' ।

মই ভাত খাওঁ : ' আমি ভাত খাই'।

মই কিতাপ পঢ়ো : ' আমি কিতাপ পড়ি' ।

মই গান গাওঁ : ' আমি গান গাই'।

সি পথাৰলৈ যায় : 'ও চৰাই/খেতে যা'।

মই গৰম ভাত গাওঁ : 'আমি গৰম ভাত খাই'।

সি ভাল গান গায় : ' ও ভাল' /বালা গান গাই'।

সি বৰ ভাল গান গায়: ' ও বিৰাট বালা গান গাই ।

মই এখন ভাল চিনেমা চালো: ' আমি এটা বালা চিনেমা দেখলাম'।

সি কাইলৈ আহিব : 'ও কালকা আইব'/আশব' ।

সি পৰহিলৈ আহিব : 'ও ওদিনকা আইব'।

সি কাইলৈ ঘৰলৈ আহিব: 'ও কাইলকা বাইততে আইব'/আশব'।

সি আৰু মই যাম : ও আৰ আমি যামু' ।

সি আৰু তুমি যাবা : ও আৰ তুমি যাবা' ।

মানুহ মৰে: : মানুশ মৰে '।

ৰাতি পুৱাল: : ' ৰাইত পুৱাইলো' ।

বৰষুণ আহিল : : বৃষ্টি আইল'।
তেওঁলোক গ'ল : 'ওৰা গেল' ।
কাৰো সৰু বৰ নাই : ' কামো ছোটো বৰ' নাই'।
আবেলি আহিবা : ' বৈকালা আইবা(আবা)'।
ক'ত থাকা? : 'কোনে থাক'?
তাওৰকৈ পঢ়া : 'বৰোকেৰে পঢ়' ।
সি পঢ়ে : ' উ পঢ়ে' ।
সি নপঢ়ে : ' উ পঢ়েনা'।
তই পঢ় : ' তুই পঢ় '।
তই পঢ়নে ? : 'তুই পঢ়ছু না ?
কি তই পঢ়া নাই : 'কি তুই পঢ়চ না নাই '।
সি পঢ়িছে হ'বলা : ' উ পঢ়ছে গো ।
সি পঢ়ে জানো? : উ পঢ়ে জানি ? ।
সি পঢ়ে নেকি? : 'উ পঢ়ে নাকি ?
আল্লাই তোমাক মঙ্গল কৰক : 'আল্লাই তোমাক বালা কৰোক'।
প্ৰতি বছৰে বান পানী হয় : ' পৰাই বচৰে বাইশা হয়'।
বান পানীয়ে আমাৰ খেতিবোৰ নষ্ট কৰে : বাইশা আমগৰো খেতখলা নষ্ট কৰে'।
মানুহক বিশ্বাস কৰিব লাগে : মানুশেক বিশ্বাস কৰন লাগে'।
দুখীয়াক পুতৌ কৰিব লাগে : 'গৰীবেক দয়া কৰন লাগে ।
স্বাস্থ্যৰ প্ৰতি যতন ল'ব লাগে : 'দেহাৰ দিকে যতন নেৱন লাগে'।
বেমাৰ হ'লে চিকিৎসা কৰিব লাগে : ' বেৰাম হইলে চেষ্টা কইৰো' ।
ডাক্তৰৰ পৰামৰ্শ লৈহে দৰব খাব লাগে : ' ডাক্তৰৰ কথা শুইনা ওশুধ খাও'।
ডাঙৰক সন্মান কৰিব লাগে : 'বৰোৰে সন্মান কইৰো'।
সৰুক মৰম কৰিব লাগে : 'চোটোৰে আদৰ কইৰো' ।
সৰু পৰিয়াল সুখী পৰিয়াল : 'ছোটে পৰিয়াল সুখেৰ পৰিয়াল '।

আয় চাই ব্যয় কৰিব লাগে : আয় দেখো ব্যয় কৰো'।

মানুহ মৰণশীল : মানুশ্ মৰনশীল ।

সত্যৰ সদায় জয় : 'সত্যেৰ সদায় জয়'।

চাই খাবা আগি শুবা : 'দেইখা খাঅ'জাইগা শুয়ে' ।

বিপদৰ বন্ধুৱেই প্ৰকৃত বন্ধু : 'বিপদৰ বন্ধুৱেই আচল বন্ধু' ।

একতাই পৰম বল : : 'এক্‌তা বিৰাট শক্তি' ।

বিপদ অকলে নাহে: : 'বিপদ এক্‌লা আহেনা'।

যেনে কাম তেনে ফল : 'যেবা কইলা ওবা ফল পাইলা'।

পাপ লুকাই নাথাকে : 'পাপ সাৰাই থাকেনা'।

ধনেই ধ্বংসৰ কাৰণ : 'ধনেই ধ্বংসৰ মূল' ।

গুণীৰ গুন সকলোতে ' ঃ 'গুনীৰ গুন সব আগাই ।

বাপ চাই বেতা : ' বাপ গুনে বেতা' ।

১১. ওপৰত উল্লিখিত বাক্য- গঠনৰ মাজেদি অসমৰ প্ৰত্যেক অঞ্চলৰ
ইজনে সিজনক বুজাত সহায় কৰিব পাৰে ।

----------

## চতুৰ্থ- অধ্যায়

### চৰ অঞ্চলত প্ৰচলিত প্ৰবাদ-বচন আৰু সাঁথৰ:

১০. চৰ অঞ্চলত প্ৰচলিত প্ৰবাদ-বচন (শিমাশা) কেইটামান তলত উল্লেখ কৰা হ'ল :

(ক) মাগুৰ আছিলো কাৰৈ হ'লো ।

(খ) ভাই ভাই ভাই সহোদৰ ৰক্তেৰ বান্ধন সেই ভাই শত্ৰু হয় নাৰীৰ কাৰন ।

(গ) এভাবে জন্মেছিলা যেদিন তুমি কেদেছিলা একা হেসেছিল, সবে এমনভাবে জীৱন তুমি কৰিবে গঠন মৰণে হাসেবে তুমি কাদিদে ভুবন '।

(ঘ) ঘাস ছাৰা গৰু ভলি ছাৰা চৰু
শিগা ছাৰা গাছ পানী ছাৰা মাছ ।

(ঙ) খিদায় ভাত পিয়াসে পানী
তা না পাইলে হয় যে হায়ৰানি ।

(চ) কাৰও যায় ধান তল
কেও কাটে বিন্নাৰ নল ।

(ছ) ছাগলে কি খায়না
পাগলে কি কয়না ।

(জ) লংকায় যে যায় হেই ৰাক্ষস হয় ।

(ঝ) কাৰো আঘোন মাস
কাৰো পুস মাস ।

(ঞ) দূৰেৰ পথে বেটা, বাৰীৰ যোগলে মাটি ।

চৰ অঞ্চলত প্ৰচলিত সাঁথৰ (হাস্তৰ/মান) কেইটামান তলত দিয়া ধৰণৰ ।

(ট) সম্বল থাকতে খাইখে খায়ো, পদ(পথ) দেইখা আইঠা (খোজকাটি) যা অ' ।

(ঠ) ভাবিয়া কৰিও কাজ কৰিয়া ভাবিয়ো না ।

(ড) জলেৰ নাও শুখনা দিয়া যায় ।

(ঢ) ডালিম ফল বেছি পাকিলে যায় ফাটিয়া,
ছোটো লোক বৰো হইলো উঠে গৰ্জিয়া ।

২১. চৰ অঞ্চলত প্ৰচলিত সাঁথৰ (হাস্তৰ/মান) কেইটামান তলত চানেকি হিচাপে দাঙি ধৰা হ'ল।

(ক) ইয়ুবুইৰা উয়ুবুইৰা আৰা গাৰা মধ্যাহানা নালবেটা (আনাৰস)

(খ) তোমাৰনাগে নাই আমাৰ নাগেও নাই বস্তুটো কি (নাই: 'নাভি')

(গ) ইল বিল শুকাইআ গেলো গাছেৰ আগে পানী হৈৰলো। (নাৰকল, 'নাৰিকল')

(ঘ) ইতো দুলুলা গাসে কালা কুত্তা নাচে (বাগুন 'বেঙেনা')

(ঙ) খাইলি খাৰাইআ থাকে নাখাইলে মুইআ থাকে। (বস্তা)

(চ) আত/হাত নাই পাও নাই মানুশ খাবাৰ আসে। (জক'জোক')

(ছ) এক গুগুৰ তিনি মাথা গুগু যায় কলিকতা ( উৰাজাহাজ)

(জ) দিতে কসা কসি ভিত্ৰে গোলে খুসি। ( চুৰি 'খাৰু')

(ঝ) মাস্টা আপকা- জুপুৰা, গোলাটা সোনাৰ টুকুৰা। (মৈশ/মৰিশ'জলকীয়া')

(ঞ) এক বাৰী সুকৰি গুনতি নাগে বেপাৰি ( তাৰা'তৰা')

(ট) জংগলে থিকা বাইৰ্হলো পাটা পাটাৰ শৰীল কাটা কাটা(কাঁঠল/কাতল'কঠাল')

(ঠ) এক গেলাচে দুই ৰংগেৰ পানী কওছে কি? (আণ্ডা' কনী')

(ড) ঘৰ আছে দুৱাৰ নাই, মানুহ আছে কথা নাই।(কবৰ)

(ঢ) ইলে বিলে পানী নাই দেল খেতে পানী ( শামুক)।

(ন) তুমি হইলা ভালে আমি হইলাম খালে, তোমাৰ আমাৰ দেখা হইলো মৰন কালে। মৰিশ নাইবা মাছ)

২২. ওপৰত উল্লিখিত প্ৰবাদ- প্ৰবচন আৰু সাঁথৰ সমূহৰ দৰে অনেক ফকৰা যোজনা বা প্ৰবাদ আৰু সাঁথৰ চৰ অঞ্চলত প্ৰচলিত হৈ আছে। সেইবোৰৰ বিশদ অধ্যয়ন হ'ব পাৰে।

--------

## পঞ্চম অধ্যায়

### উপসংহাৰ:

৬. ওপৰৰ চাৰিটা অধ্যায়ত চৰ অঞ্চলৰ ভাষাৰ এটি চমু বিৱৰণ দাঙি ধৰা হৈছে। এই অধ্যায়ত আটাইখিনিৰে মূল কথাখিনি জুকিয়াই চাবলৈ যতন কৰা হৈছে ।চৰ অঞ্চলৰ ভাষাৰ বিৱৰণে এইটো প্ৰমাণ কৰে যে ভাষাটোৱে অসমৰ বিশেষকৈ নদীপৰীয়া গোটেই চৰ অঞ্চলৰ লোকৰ উমৈহতীয়া ভাষা । আমি ইয়াক চৰিয়া ভাষা বুলিছো । চৰ অঞ্চলৰ স্থানীয় ভাষাটোৰ প্ৰবাহ মূলত: পূব বঙ্গৰ পশ্চিমৰ ফালৰ পৰা পূবলৈকে গতি কৰা প্ৰবাহ ।এই প্ৰবাহেৰে সৈতে গোৱালপৰীয়া 'দেশী ভাষা' আৰু কামৰূপী উপভাষাও মিলিত হৈছে । এই ৰূপটোৱে ব্ৰহ্মপুত্ৰ নদী উপত্যকাৰে পূবফালে দৰং, নগাওঁ আদি জিলাৰ বিভিন্ন চৰ অঞ্চললৈ বিস্তৃতি লাভ কৰিছে। চৰ অঞ্চলৰ স্থানীয় ভাষাৰ বৈশিষ্ট্য, পদমালা, প্ৰবাদ-বচন আৰু সাঁথৰ আদি চালি জাৰি চাই উপযুক্ত স্থানত ব্যৱহাৰ কৰিব পাৰিলে অসমীয়া ভাষাৰ বিকাশ আৰু সমৃদ্ধিত অৰিহণা যোগোৱাৰ উপৰি অসমীয়া ভাষাই অসমৰ চৰ অঞ্চলৰ ৰাইজক অসমীয়া হিচাপে ধৰি ৰাখিব পাৰিব । সেয়ে হ'লেহে বৃহৎ অসমীয়া জাতিটোৰ শ্ৰী বৃদ্ধি কৰিব পৰা যাব। তাৰ উপৰি অসমীয়া ভাষাৰ আঁতি গুৰি আৰু বিকাশৰ বুৰঞ্জী খুজিবলৈ হ'লে অসমৰ সকলো জিলাৰ ,সকলো অঞ্চলৰ স্থায়ী বাসিন্দা সকলৰ কথিত ভাষাৰ অধ্যয়ন অপৰিহাৰ্য । এনে উদ্দেশ্য আগত ৰাখিয়েই অবিভক্ত কামৰূপ জিলাৰ নলবাৰীৰ দক্ষিণৰ বিশেষকৈ চৰ অঞ্চলৰ অসমীয়া সকলৰ কথিত ভাষাৰ বিৱৰণ ওপৰত দাঙি ধৰিবলৈ যতন কৰা হৈছে ।

৬৪. আমাৰ অধ্যয়নৰ পৰা এইটোৱে প্ৰমাণিত হৈছে যে চৰ অঞ্চলৰ ভাষাটোৱে সৈতে গোৱালপৰীয়া দেশী ভাষা' আৰু কামৰূপীয়া ভাষাৰে সৈতে যথেষ্ঠ সাদৃশ্য আছে ।সেইবোৰ পুথিখনৰ যথাস্থানত উল্লেখ কৰা হৈছে ।প্ৰাচীন কামৰূপী ভাষা আৰু পূৰণি অসমীয়া ভাষাত প্ৰয়োগ হোৱা শব্দৰে সৈতে মিল থকা শব্দবোৰো উপযুক্ত স্থানত উল্লেখ কৰা হৈছে। পুথিখনত চৰ অঞ্চলৰ ভাষাৰ বিবিধ বিষয়ক শব্দ মালাৰ আলোচনা দাঙি ধৰা হৈছে। লগতে ভাষাটোৰ বাক্য গঠন প্ৰণালীৰ নমুনা, ভাষাটোৰ প্ৰবাদ- বচন আৰু সাঁথৰ কিছুমানৰ আলোচনা সুকীয়াকৈ কৰা হৈছে । পুথিখনৰ পৰিশিষ্ট 'এক'ত অসমীয়া ভাষা, কামৰূপী উপভাষা আৰু চৰ অঞ্চলৰ ভাষাৰ এটি তুলনামূলক আলোচনা চমুকৈ কৰা হৈছে। পৰিশিষ্ট 'দুই'ত চৰ অঞ্চলৰ ভাষাটোৰ

প্ৰবাহ পূব্ৰ বৰৈব পশ্চিমৰ হোৱা হেতু বড়ো ভাষাবোৰৰগৈতে থকা শব্দমূলক সাদৃশ্যও কিছু আলোচনা কৰা হৈছে।

২৫. মূচৰ ওপৰত আমাৰ অধ্যয়নৰ পৰা এইটো ক'ব পৰা যায় যে অসমৰ গোটেই চৰ অঞ্চলৰ ভাষাটোৰ অধ্যয়ন কৰিব পাৰিলে বহুতো নতুন তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

---------

পৰিশিষ্ট: এক।

## অসমীয়া ভাষা কামৰূপী উপভাষা আৰু চৰ অঞ্চলৰ ভাষা : তুলনামূলক অধ্যয়ন

১. অসমীয়া ভাষাটোৰ পশ্চিম অঞ্চলৰ উপভাষাক দুটা ভাগত ভগাব পাৰি।
অবিভক্ত গোৱালপাৰা জিলাত কোৱা গোৱালপৰীয়া উপভাষা আৰু অবিভক্ত
কামৰূপ জিলাত কোৱা কামৰূপী উপভাষা। পুবৰপিনৰ মান্যভাষা আৰু একেবাৰে
পশ্চিমৰ পিনৰ গোৱালপাৰাৰ উপ ভাষাৰ মাজত আছে কামৰূপৰ উপভাষা।
কামৰূপৰ উপভাষা বা কামৰূপী উপভাষা অসমীয়া ভাষাৰ প্ৰধান উপভাষা। কামৰূপী
উপভাষাৰে সৈতে চৰ অঞ্চলৰ ভাষাৰ সৈতে কিছু পাৰ্থক্য থাকিলেও বেছিভাগ
ক্ষেত্ৰতে সাদৃশ্যহে পৰিলক্ষিত হয়। অৱশ্যে কামৰূপী উপ ভাষাৰ স্থানীয় পাৰ্থক্যবোৰ
বেছি স্পষ্ট। এইবোৰ থাকিলেও চৰ অঞ্চলৰ আৰু কামৰূপী উপভাষাৰ পাৰ্থক্য
বোৰে ইজনে সিজনক বুজাত অসুবিধা নজন্মায়। তলত চৰ অঞ্চলৰ ভাষা আৰু
কামৰূপী উপ ভাষাৰ মাজত থকা প্ৰধান সাদৃশ্য বোৰ আলোচনা কৰা হ'ল। এই
ক্ষেত্ৰত মান্য ভাষাৰ লগত কামৰূপী আৰু চৰ অঞ্চলৰ ভাষাৰ পাৰ্থক্যবোৰৰো বুজাৰ
সুবিধাৰ্থে উল্লেখ কৰা হ'ব। সেইবোৰক ধ্বনিমূলক ৰূপাত্মক আৰু শব্দমূলক
এই তিনি ভাগত দেখুওৱা হৈছে।

১.১) ধ্বনিমূলক : মান্য ভাষাত বিশিষ্ট স্বৰধ্বনি আঠোটা :
অ, আ, ই, উ, এ, এ'অ' ও। কামৰূপী উপভাষাতো সাতোটা বিশিষ্ট স্বৰধ্বনি
আছে: অ, আ, ই, উ, এ, এ'ও। চৰ অঞ্চলৰ ভাষাত মান্য ভাষাৰ দৰে আঠোটা
বিশিষ্ট স্বৰধ্বনি আছে। মান্য আৰু কামৰূপী উপভাষাত একৈশটা ব্যঞ্জন-ধ্বনি
আছে। চৰ অঞ্চলৰ ভাষাত হ'লে আঠাইশটা ব্যঞ্জন ধ্বনি আছে। সেইবোৰক
অসমীয়া আখৰেৰে এনেধৰণে দেখুৱাব পাৰি : ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ট, ঠ, ড, ঢ, ত
থ, দ, ধ, ন, প, ফ, ব, ভ, ম, ৰ, ল, শ, স, হ। এইবোৰৰ উদাহৰণ পুথিখনৰ প্ৰথম অধ্যায়ত
দিয়া হৈছে।

১.২ মান্য ভাষাত বলাঘাট শব্দৰ শেষৰ আগৰ অক্ষৰত পৰে। কামৰূপী আৰু চৰ
অঞ্চলৰ শব্দৰ মাজত থকা স্বৰধ্বনি বোৰ উচ্চাৰিত নহয়, যেনে মান্যভাষাৰ
কেকোঁৰা কোমোৰা > কাম, কাকৰা, কুমৰা > চৰ, কাকৰা, কুমৰা।

২.৩ মান্য ভাষাৰ অল্পপ্ৰাণ ধ্বনি কামৰূপী আৰু চৰ অঞ্চলৰ ভাষাত মহাপ্ৰাণ ধ্বনিৰূপে দেখা যায়, যেনে মান্য, চকু > কাম, চখু > চৰ, চোখ ।

২.৪ মান্য ভাষাৰ 'ন' আৰু 'ৰ' ধ্বনিৰ ঠাইত কোনো কোনো শব্দত 'ল' ধ্বনি শুনা যায় । চৰ অঞ্চলৰ শব্দৰ মাজত থকা 'ৰ' ধ্বনিৰ ঠাইত কেতিয়াবা স্বৰ 'ই' ধ্বনি শুনা যায় । উদাহৰণ মান্য , নোম > কাম, লুম্ , মান্য শৰীৰ > চৰ, কাম , শৰীল , শইল । কেতিয়াবা আকৌ মান্যভাষাৰ 'ল' ধ্বনিৰ ঠাইত চৰ অঞ্চলৰ ভাষা আৰু কামৰূপী ভাষাত 'ন' ধ্বনিৰূপে উচ্চাৰিত হয় , যেনে, মান্য , লোন > কাম, নুন > চৰ, নুন ।

২.৫ কামৰূপী আৰু চৰ অঞ্চলৰ ভাষাত দ্বিঅক্ষৰ যুক্ত শব্দৰ প্ৰতি ধাউতি পৰিলক্ষিত হয়। সেই কাৰণে মান্য ভাষাত পোৱা এক অক্ষৰযুক্ত শব্দৰ পিছত কামৰূপী 'আ' আৰু চৰ অঞ্চলৰ ভাষাত স্বাৰ্থিক ' আৰ প্ৰত্যয় যোগ দি শব্দটোক দ্বি অক্ষৰীয় কৰা দেখা যায়, যেনে মান্য , কাঁহ, খেল, ৰূপ, সোন > কাম, কাঁহা খেলা ৰূপা, সনা > চৰ কাশা, খেলা ৰূপা সোনা '।

৩. ৰূপাত্মক (ক) মান্যভাষাৰ বহু বচন বুজোৱা প্ৰত্যয়- বোৰ, - বিলাক ,আৰু -হঁতৰ ঠাইত কামৰূপীত -গিলা,- গিলাক -হাত,- হানা,- হায়ৰা,- হাম্লা,-হুন, - আহুন,- ঠে-চে, আদি পোৱা যায় । চৰ অঞ্চলত -গুলা,- গুলান- গোনা,-ৰা আদি পোৱা যায়। উদাহৰণ, ল'ৰাহঁত > কাম, ছোলিহাত> গাগাগুলা ইত্যাদি ।

৩. (খ) মান্য ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়-টো,-জান,-জনা, -গৰাকীৰ ঠাইত কামৰূপীত-টু, - ডাল আৰু ফেৰাৰ ঠাইত-খোৰ, আৰু -খেনি ব্যৱহাৰ হয় । চৰ অঞ্চলৰ ভাষাত-টা আৰু -খিনিৰ ব্যৱহাৰ দেখা যায়, যেনে মানুহটো/কাম, মানু-টু > চৰ, মানুশ-টা মান্য লোনখিনি > কাম, নুনখেনি >চৰ নুনখেনি ইত্যাদি ।

৪. শব্দমূলক : মান্যভাষা ,কামৰূপী উপভাষা আৰু চৰ অঞ্চলৰ ভাষাত শব্দমূলক পাৰ্থক্য কম বুলিব নোৱাৰি। সচৰাচৰ ব্যৱহাৰ কৰা বস্তু কিছুমানক বুজাবলৈ মান্য, কামৰূপী উপভাষা আৰু চৰ অঞ্চলত ভিন্ন শব্দ ব্যৱহাৰ কৰা হয় । তলত সেইবোৰ দাঙি ধৰা হ'ল ।

কামৰূপী উপভাষা

চুইল্লা টেঙা / কাজি টেঙা

ভোজলুক

মোইদফাল

কুণ্তী

...উষা

...ৰা

চৰ অঞ্চলৰ ভাষা

কাগজি

মৰিচ

পাইংকা

ঘুগু

আন্ডা

মাদুৰ

বেৰ

পেষা

দাৰি

পানিটে

... কামৰূপী উপভাষাৰে সৈতে চৰ
... ভাষাৰ আৰু চৰ অঞ্চলৰ ভাষাত
...ল তলত উল্লেখ কৰা হ'ল।

... ভাষা

| | | |
|---|---|---|
| হান্ধি | ' হালধি' | অলদি |
| গলি | 'গোহালি' | গইল |
| কৰে | 'কেৰাহী' | কৰাই |
| মহৰি | 'ভেঁঠুৰা' | মুগুৰি |
| চাদাৰ | 'চাদৰ' | চাদ্দৰ |
| গামুছা | 'গামোচা' | গামুছা |
| ছুৰি | 'খাৰু' | চুৰি |
| কুঁইহাৰ | 'কুঁহিয়াৰ' | কুইশাল |
| হাইহাল্ | 'ৰান্ধনিঘৰ' | আইচাল |
| মোইফুৰাম্, | ' মধুৰিআম' | মোফৰি |
| কাজিটেঙা ' | 'নেমু' | কাগুজি |
| চানা | ' পোৱালি' | চাও |
| কাকুৰা | ' কেকোঁৰা' | কাকুৰা |
| কিৰ্মি | ' পেনু' | কিৰ্মি |
| সোনা | 'সোন' | সোনা |
| ৰূপা | 'ৰূপ' | ৰুইপা |
| কোদাল | 'কোৰ' | কোদাইল |

৬। ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে- কামৰুপী উপভাষা আৰু চৰ অন্চলৰ ভাষাৰ মাজত এটা সম্মিল -মিলৰ ভাৱ প্ৰকাশ কৰিব পৰা শব্দৰ ব্যৱহাৰ আছে। সেইবোৰৰ ব্যৱহাৰ যোগেদি ইজনে সিজনক বুজাত সহায় কৰি আহিছে। পৰস্পৰে পৰস্পৰৰ মাজত অহা-যোৱা , যোগা-যোগ, আৰু যাতায়ত ব্যৱস্হাৰ অধিক সুচল হ'লে সামাজিক সম্বন্ধ স্হাপন কৰিব পাৰিলে ভৱিষ্যতে চৰ অন্চলেৰে সৈতে ভাষাৰ ক্ষেত্ৰত অধিক সংযোগ সমন্বয় স্হাপন কৰিব পৰা যাব।

---------

## পৰিশিষ্ট : দুই

## চৰ অঞ্চলৰ ভাষা আৰু পূৰ্ব বঙ্গীয়া বঙলা ভাষা

১. চৰ অঞ্চলৰ স্থানীয় ভাষাটোৰ প্ৰবাহ মূলতঃ পূব বঙ্গৰ পশ্চিমৰ ফালৰ পৰা পুবলৈকে গতি কৰা প্ৰবাহ । এই প্ৰবাহেৰে সৈতে বঙলা ভাষাৰ ভালেমান শব্দ সানমিহলি হৈ আছে । তাৰ ফলত চৰ অঞ্চলৰ ভাষাৰে সৈতে বঙলা ভাষাৰ ওচৰ সম্পৰ্কও ৰক্ষিত হৈছে। চানেকি হিছাপে বঙলা ভাষাৰে সৈতে থকা চৰ অঞ্চলৰ ভাষাত ব্যৱহৃত বিবিধ বিষয়ক কিছুমান শব্দ তলত উল্লেখ কৰা হ'ল :

| চৰ অঞ্চলৰ ভাষা | বঙলা ভাষা |
|---|---|
| মাথা | মাথা |
| চুল | চুল |
| চোখ্ | চোখ |
| থোত্ | ঠোঁত |
| গলা | গলা |
| বুক্ | বুক |
| পায়েৰ তাইলা | পায়েৰতলা |
| কানেৰ্নতি | কানেৰ্লতি |
| ৰক্ত | ৰকত |
| চাম্ৰা | চামৰা |
| বাবা | বাবা |
| মা | মা |
| বইন | বোন |
| জামাই | জামাই |
| শালা | শালা |
| দুধ্ | দুধ |
| মধু | মধু |
| বাগুন | বেগুন |
| সুপাৰী | সুপাৰী |
| থাল | থালা |

| | | | |
|---|---|---|---|
| ঘাট | ঘটী | তেতুল | তেতুল |
| কলস | কলসী | হোশা | শশা |
| চাকু | চাকু | বাগান | বাগান |
| বালিছ | বালিশ | বাদুৰ | বাছুৰ |
| মুশুৰি | মশাৰী | বাদুৰ | বাদুৰ |
| পৰ্দা | পৰ্দা | বেজি | বেজি |
| দৰি | দৰি | বেঙ | বেঙ |
| চাদদৰ | চাদৰ | গান্দাৰ | গন্ডাৰ |
| ঘুমতা | ঘোমটা | পাখি | পাখি |
| গামছা | গামছা | হাস | হাস |
| বাজু | বাজু | মোৰগ | মোৰগ |
| কানমাৰকি | মাকড়ী | ঘুঘু | ঘুঘু |
| গাশ | গাছ | টোতা | তোতা |
| পাতা | পাতা | পিপৰা | পিপৰা |
| কাঁটা | কাঁটা | উকুন | উকুন |
| তক্তা | তক্তা | চাইগোকা | চাৰপোকা |
| কাঁঠল | কাঁঠাল | কাকৰা | কাকৰা |
| আনাৰস | আনাৰস | কিৰামি | ক্রিমি |
| কলা | কলা | মৌমাশি | মৌমাছি |
| মশা | মশা | চৰ্দি | সৰ্দি |
| চোখ উঠা | চোখউঠা | জুইলাপ | জোলাপ |

৪. ওপৰৰ আলোচনাৰ পৰা এইটো ক'ব পাৰি যে চৰ অঞ্চলৰ অসমীয়া সকল মূলত: পূৰ্ববঙ্গীয় বঙলা ভাষী আছিল। তেওঁলোকে বৰ্তমানেও ঘৰুৱা কথা-বতৰাত বঙলা ভাষাৰ পৰিবৰ্ত্তিত ৰূপ এটা গ্ৰহন কৰি আছে।অৱশ্যে চৰ অঞ্চলৰ নতুন প্ৰজন্মসকলে অসমীয়া ভাষাত শিক্ষা-দিক্ষা গ্ৰহন কৰি নিজকে অসমীয়া আৰু অসমীয়া ভাষী বুলি পৰিচয় দিছে।লগতে ঘৰুৱা মাতকথাত অসমীয়া ভাষা গ্ৰহন কৰিবলৈ লৈছে। এইটো হ'লে ভৱিষ্যতে চৰ অঞ্চলৰ ভাষাত বঙলাভাষাতকৈ অসমীয়া ভাষাৰ প্ৰভাৱ বাঢ়ুকৈয়ে পৰিব।

------

## গ্ৰন্থ-পঞ্জী

অসমীয়া :

কাকতি বাণীকান্ত: পুৰণি অসমীয়া সাহিত্য পঞ্চম তাওৰণ, ১৯৬৮ লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী ।

গগৈ লীলা : অসমৰ জন সংস্কৃতি, প্ৰথম প্ৰকাশ ১৯৬৬ অসম সাহিত্য সভা যোৰহাট ।

গোস্বামী উপেন্দ্ৰ নাথ অসমীয়া ভাষাৰ ৰূপ-কথা প্ৰথম প্ৰকাশ ১৯৭৪, নিউ বুকষ্টল, গুৱাহাটী । ভাষা-বিজ্ঞান, চতুৰ্থ সংস্কৰণ, ১৯৯০ নিউ বুক ষ্টল, গুৱাহাটী ।

অসমীয়া ভাষাৰ ব্যাকৰণ, প্ৰথম প্ৰকাশ ১৯৮৯ মনি মানিক প্ৰকাশ, গুৱাহাটী ।,

অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ, প্ৰথম প্ৰকাশ ১৯৯১ বৰুৱা এজেন্সী গুৱাহাটী ।

গোস্বামী প্ৰফুল্ল দত্ত: (সম্পা) কমলাকান্ত ভট্টাচাৰ্যৰ ৰচনাৱলী প্ৰথম প্ৰকাশ ১৯৮২, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

গোস্বামী যতীন্দ্ৰ নাথ (সম্পা) কালিৰাম মেধি ৰচনাৱলী প্ৰথম প্ৰকাশ ১৯৭৯ অসম সাহিত্য সভা যোৰহাট ।

চৌধুৰী মেদিনী লুইত ৰাক আৰু ইছলাম, প্ৰথম প্ৰকাশ ১৯৮২ গুৱাহাটী ।

তিৱাৰী ভোলানাথ ভাষা বিজ্ঞান, ১৯৮৫, এলাহবাদ ।

নেওগ ডিম্বেশ্বৰ নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী ষষ্ঠ সংস্কৰণ ১৯৯০, গুৱাহাটী।

অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৭৪ গুৱাহাটী।

নেওগ মহেশ্বৰ শ্ৰীশ্ৰী শংকৰদেৱ ১৯৮৭ টিহু ।

,, ,, চন্দ্ৰকান্ত অভিধান, প্ৰথম প্ৰকাশ ১৯৮৭ গুৱাহাটী ।

,, ,, (সম্পা)

পাদুন নাহেন্দ্ৰ ভাষা তত্ত্ব-কথা, প্ৰথম প্ৰকাশ ১৯৯০ শিৱসাগৰ ।

বৰগোহাঞি হোমেন (সম্পা) অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী প্ৰথম প্ৰকাশ ১৯৯০, গুৱাহাটী।

বৰগোহাঞি যতীন্দ্ৰ কুমাৰ- অসমৰ সাংস্কৃতিক ইতিহাস, ১৯৮৯, যোৰহাট ।

বৰুৱা বিৰিঞ্চি কুমাৰ অসমীয়া ভাষা- সংস্কৃতি, ১৯৬৭, গুৱাহাটী ।

বৰুৱা হেমচন্দ্ৰ : হেমকোষ, ১৯৬৫, গুৱাহাটী ।

,, ,, : অসমীয়া ব্যাকৰণ, ১৯৬৪, গুৱাহাটী।

বৰবৰুৱা হিতেশ্বৰ : আহোমৰ দিন, ১৯৮১, অসম প্ৰকাশন পৰিষদ।

বৰুৱা হেম : সাহিত্য আৰু সমস্যা, ১৯৭৮, গুৱাহাটী ।

,, ,, : ছিন্নমূল, ১৯৭৩ গুৱাহাটী বুকষ্টল ।

ভৰালি দেবানন্দ : অসমীয়া ভাষাৰ মৌলিক বিচাৰ, ১৯৯৩, গুৱাহাটী।

মেধি কালিৰাম : অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব ১৯৭৮ গুৱাহাটী ।

শৰ্মা সত্যেন্দ্ৰ নাথ(সম্পা)অম্বিকাগিৰী ৰায় চৌধুৰী ৰচনাৱলী ১৯৮৬, গুৱাহাটী ।

সেন সুকুমাৰ : ভাষাৰ ইতিবৃত্ত, ১৯৮৭, কলিকতা ।

হাজৰিকা অতুলচন্দ্ৰ : স্মৃতি ৰঞ্জিকা, ১৯৯০, গুৱাহাটী ।

(সম্পা) বেজ বৰুৱা গ্ৰন্থাৱলী ১৯৮৮, গুৱাহাটী ।

হোছেইন ইছমাইল : অসমৰ জাতীয় জীৱন আৰু অধিবাসী মুছলমান, ১৯৯৭নলবাৰী

ইংলিছ :

বৰপূজাৰী হেৰম্বাকান্ত : দা- কম্প্ৰিহেনছিভ হিষ্টৰি অফ আছাম, ১৯৯৪, গুৱাহাটী ।

ভূঞা এছ,কে : ষ্টাডিছ ইন দা লিটাৰেছাৰ অফ আছাম ১৯৬৫, গুৱাহাটী।

বৰুৱা বি,কে : হিষ্টৰি অফ আছামিজ লিটাৰেছাৰ ১৯৬৪, দিল্লী ।

বৰুৱা কে,এল : আৰ্লি হিষ্টৰি অফ কামৰূপ, ১৯৮৮, গুৱাহাটী ।

ব্লুমফিল্ড : লেংগুৱেজ, ১৯৮০ দিল্লী ।

ব্ৰাউন এন : গ্ৰামাটিকেল নোটিছ অন-দা আছামিজ লেংগুৱেজ ১৯৮২, যোৰহাট।

চেটাৰ্জি সুনীতি কুমাৰ: দা অৰিজিন এণ্ড ডেভেলপমেণ্ট অফ দা বেংগলি লেংগুৱেজ ১৯৭০, দিল্লী ।

গেইট ছাৰ এদুৱাৰ্ড : হিষ্টৰি অফ আছাম ১৯২৬, গুৱাহাটী ।

গোস্বামী ইউ,এন : এন ইণ্ট্ৰ' দাকচন টু আছাম, ১৯৭৮, গুৱাহাটী।

,, ,, ,, : এ ষ্টাডি অফ কামৰূপ, এ দইলেক্ট অফ আছামিছ, ১৯৭০, গুৱাহাটী।

কাকতি বি : আছামিছ ইটছ ফৰমেছন এণ্ড ডেভেলপমেণ্ট ১৯৭২ গুৱাহাটী ।

নেওগ ডি : দা অৰিজিন এণ্ড গ্ৰোথ অফদা অসমীয়া লেংগুৱেজ
১৯৬৪, গুৱাহাটী।

নেওগ এম, : আণ্দৰাম ঢেকীয়াল ফুকন, প্লি ফৰ আছাম এণ্ড আচামিজ
১৯৭৭, যোৰহাট।

আলোচনী বাতৰি-কাকত:

গৰীয়সী

দৈনিক অসম ।

প্ৰান্তিক

সূত্ৰধাৰ

আজিৰ বাতৰি

আমাৰ অসম

------